চান্দমামা

অকট'বাৰ ১৯৮৭



A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্রিন কনফেকশানেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ. প্ৰ.
CLARION/NC/8636

নতুন উন্নত ফেৰেক্স®

**আপোনাৰ সন্তানৰ কাৰণে গোটা আহাৰ খুওৱাৰ এটি আদৰ্শ আৰম্ভণী।
কিয়নো ইয়াত সন্তানৰ বিকাশৰ উপযোগী উপাদান আছে।**

প্ৰোটিন আৰু স্নেহ পদাৰ্থৰ মিশ্ৰণ

প্ৰোটিনেৰে ভৰপুৰ ফেৰেক্স'এ সন্তানৰ সুস্থ গঢ়ন-বাঢ়নত সহায় কৰে। নতুন উন্নত ফেৰেক্স শিশুৰ নুমলীয়া হজম শক্তিৰ উপযোগীকৈ বিশেষভাবে তৈয়াৰী। ইয়াত সঠিক পৰিমাণৰ স্নেহ পদাৰ্থ মিশ্ৰিত থাকে।

সুস্থ তেজৰ কাৰণে লোহ পদাৰ্থ

সন্তানৰ শৰীৰত জমা থকা লোহ পদাৰ্থ চতুৰ্থ মাহত কম হৈ যায়। ফেৰেক্স'ত থাকে পৰ্য্যাপ্ত লোহ পদাৰ্থ যাতে শিশুৰ তেজ সুস্থকৈ ৰখাত আৰু শৰীৰৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা গঢ়ি তোলাত সহায় কৰে।

কেলচিয়াম-ফচফৰাচৰ আদৰ্শ অনুপাত

শিশুৰ দাঁত আৰু হাড় সুস্থভাবে গঢ়ি তুলিবলৈ কেলচিয়াম আৰু ফচফৰাচৰ একান্ত প্ৰয়োজন। আৰু সেই কাৰণেই ফেৰেক্স'ত কেলচিয়াম-ফচফৰাচৰ ২:১ আদৰ্শ অনুপাত ৰখা হৈছে।
ফেৰেক্স'ৰ প্ৰত্যেক আহাৰ এতিয়া অধিক সোৱাদভৰা।
মিহলোৱাটোও অতি সহজ।

গাখীৰ মিহলোৱাৰ প্ৰয়োজন নাই!
মাথোঁ পানী মিহলাওক আৰু খুৱাওক।

নতুন উন্নত **ফেৰেক্স®**

CLARION B/GX/15/203/ASM

চান্দমামা

*

অকটʼবাৰ ১৯৮৭

এই সংখ্যাত আছে

*

চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
কন্থ	:	১০
সাপ আৰু বেং	:	১১
ভাগ্যৰ ঢাকনী	:	১৬
কথা কোৱা দৰব	:	১৮
আলাদ্বীপ	:	১৯
একিল খালেহে এবুধি	:	২৭
নামে আৰু কামে	:	৩৪
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
মৰমৰ বন্দী	:	৩৯
উত্তৰ-ৰামায়ণ	:	৪৩
জগতৰ ৰীতি	:	৫১
উপকাৰ-প্ৰত্যুপকাৰ	:	৫৫
ৰাতিৰ পৰীয়া	:	৬০
ওৱাৰিচ-ওৱাচিল	:	৬১
প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

খনে : ২ʼ৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০ʼ০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৰা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসন্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

দিনটো আৰম্ভ হওক মুখত সজীৱ আমেজ লৈ মুখত!

পিপাৰমেন্ট আৰু স্পিয়াৰমেন্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ নিমিত্তে বিয়পি পৰা ফেনেৰে দাঁত চিকচিকীয়াকৈ পৰিষ্কাৰ কৰে, নিশ্বাসত স্নিগ্ধ সুগন্ধ।

নতুন পণ্ডচ টুথপেষ্টৰে দাঁত ঘঁহিবলৈ অকণো আমনি নালাগে, বৰং ভালহে লাগে। চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেষ্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব।

আজিয়েই নতুন পণ্ডচ টুথপেষ্ট কিনক।

আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...



... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৰাকসমূহৰ টুকুৰা চোকা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পণ্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9795 ASS

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

চান্দমামাৰ ‘ফটো-নামকৰণ প্ৰতিযোগিতা’ৰ বিষয়ত পাঠক পাঠিকাসকলৰ ফালৰপৰা বিভিন্ন প্ৰশ্ন সোধা হয়। তেওঁলোকলৈ আমাৰ বক্তব্য: নামকৰণত কেৱল ছন্দগত মিল থাকিলেই নহ’ব, নামকৰণৰ মাজত তাৎপৰ্য্যপূৰ্ণ অৰ্থও থাকিব লাগিব। বিভিন্ন জিলাৰ পাঠক-পাঠিকাসকল যাতে পৰ্য্যায়ক্ৰমে পুৰস্কৃত হয়, সেই পিনে আমাৰ দৃষ্টি সদাজাগ্ৰত। কোনে কিমানবাৰ প্ৰতিযোগিতালৈ যোগদান কৰিলে, কাৰ বানানৰ ভুল নাই, কোনে বয়সৰ, প্ৰতিযোগিতাৰ সংখ্যাৰ, মাহৰ নাম সঠিককৈ উল্লেখ কৰিলে, স্পষ্টকৈ ঠিকনা লিখিলেনে নাই ইত্যাদি বিষয়ৰ ওপৰতো নামকৰণ-পুৰস্কাৰ নিৰ্ভৰশীল।

অমৰ-বাণী

উত্তমঃ ক্লেশবিক্ষোভম্ ক্ষমঃ শোঢুম্ ন হীতৰঃ।
মণিৰেব মহাশাণঘৰ্ষণম্ ন তু মৃৎকণঃ॥

[কেৱল উত্তম লোকসকলেহে দুখ-কষ্টক ধৈৰ্য্যৰে ভেটিব পাৰে; সাধাৰণ মানুহৰ পক্ষে সম্ভৱ নহয়। একমাত্ৰ মণিয়েহে পাথৰৰ লৈতে সংঘৰ্ষলিপ্ত হ’ব পাৰে; মাটিৰ দলিয়ে নোৱাৰে।]

বছৰ: ১২ ছেপটেম্বাৰ ১৯৮৭ সংখ্যা: ৭

খনে: ২.৫০ টকা : : বছৰেকীয়া বৰঙণি: ৩০.০০ টকা

চুপাৰফাইটাৰ!
FOAMING
Forhan's
FLUORIDE
The toothpaste that tightens gums, fights cavities
তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ"
সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে
চুপাৰব্যাটচমেন হিচাপে। কিন্তু সুনিল
গাভাচকাৰে নিজে কয় "মই এজন
চুপাৰফাইটাৰ, মই বিচাৰো মোৰ ন'বাটোও
যাতে তেনে হয়। সেয়েহে মই সৰুৰ পৰাই
শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টেৰে
দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে
সচাঁকৈয়ে চুপাৰফাইটাৰ।"
দাঁতৰ ফাকত বৈ যোৱা খাদ্যকণাই
ৰোগ-জীৱাণু জন্মাই আৰু তাত বিগৰিত
এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স
চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি
দাঁতৰ আৰু মজবুটভাৱে সুৰক্ষিত কৰে।
সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু
দাতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ
এচট্ৰিনজেণ্টয়ে আৰু মজবুত কৰি ৰাখে।
সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু
দীৰ্ঘায়ু কৰি ৰাখে।
সুনিলৰ ভাষাত "মই মোৰ ন'বাটোক
দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"
ফৰহান্স

GM-113/86 Ass

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

উৰণীয়া ৰেলগাড়ি



জাপানত আকাশেদি ৰেল গাড়ি উৰি চলিছে। এই উৰণীয়া ৰেলগাড়িৰ উৰাজাহাজৰ দৰে কোনো ডেউকা নাই, প্ৰ'পেলাৰ নাই. উৰাজাহাজৰ দৰে কোনো যন্ত্ৰপাতি নাই। আছে কেৱল চুম্বক-শক্তি, যি শক্তিৰে ৰেলগাড়ি উৰিছে।

তিনি হাজাৰ বছৰীয় আঁকুহি

তামিল বিশ্ববিদ্যালয়ৰ জল-বিষয়ক গৱেষণা বিভাগৰ সদস্যসকলে সম্প্ৰতে মান্নাৰ মোহনাৰ ওচৰত আনুমানিক এটন ওজনৰ নঙৰ এটা আৱিষ্কাৰ কৰিলে। এনেকুৱা নঙৰ নাৱিকইতে ৩০০০ বছৰৰ আগতে হেনো ব্যৱহাৰ কৰিছিল।



উৰণীয়া খটখটী

চীনদেশৰ শ্চবন্ অঞ্চলৰ একুৰিতকৈয়ো অধিক মানুহে আকাশৰ বুকুত চল্লিছ মিনিট ধৰি গুলপীয়া বৰণৰ খটখটী উৰি গৈ থকা দেখি বিস্ময়ত হতবাক হৈ পৰিছিল।

মাটি খান্দোতে সোণ

তিৰুপতিৰ ওচৰত থকা চন্দ্ৰগিৰি দুৰ্গত বাৰ বছৰীয়া ল'ৰা এটিয়েমাটি খান্দি থাকোঁতে সোণৰ মুদ্ৰাৰে ঠাহখোৱা চৰু এটা পালে। ল'ৰাটোৱে ইমান সোণৰ মুদ্ৰা দেখি ভয় খাই কথাটো পুলিছক ক'লেগৈ। এই সোণৰ মুদ্ৰাবোৰ হেনো বিজয়নগৰৰ ৰজাসকলৰ আমোলৰ সোণৰ মুদ্ৰা আছিল।



কন্দু

কণ্বমুনিৰ পুত্ৰৰ নাম আছিল কন্দু। কন্দুই গোমতী নদীৰ তীৰত বহি তপস্যা কৰিবলৈ ধৰাত, এই কঠোৰ তপস্যা ভংগ কৰিবলৈ ইন্দ্ৰই এজনী অপ্সৰাক তালৈ পঠালে। অপ্সৰাজনীৰ নাম আছিল প্ৰম্লোচন। প্ৰম্লোচনৰ সৌন্দৰ্য্যত, নম্ৰ ব্যৱহাৰত, নৃত্য-গীতত দক্ষতালৈ চাই কন্দু মুগ্ধ হৈ পৰিল। কিছুদিনৰ পাছত বিমুগ্ধ কন্দুই প্ৰম্লোচনক বিবাহ কৰালে।

আৰু প্ৰম্লোচনৰ সৈতে পৰম সুখেৰে জীৱনযাপন কৰি কন্দুই তপস্যাৰ নামকে আৰু নকৰা হ'ল।

এদিন কন্দু এটা পাহাৰৰ ওপৰত অকলশৰে বহি থাকোঁতে সূৰ্য্যাস্ত হ'ল আৰু সূৰ্য্যাস্ত সুন্দৰ দিগন্তলৈ চাই কন্দুৰ হঠাৎ মনত পৰিল তপস্যাৰ কথা। কন্দু বহাৰপৰা পোনছাটে থিয় হ'ল আৰু পুনৰ তপস্যামগ্ন হোৱাৰ বাবে হৰিণাৰ ছালৰ আসনখন বিচাৰিবলৈ ধৰিলে।

তিমানতে প্ৰম্লোচনো সেই ঠাই পাইছিলগৈ। প্ৰম্লোচনে খিল খিলকৈ হাঁহি থকা দেখি কন্দুই কৈ উঠিল, "তুমি তেনেকৈ হাঁহিছা কিয় ?"

"নাহাঁহি নোৱাৰিছোঁ বুলিহে হাঁহিছোঁ।" প্ৰম্লোচনে ক'লে, "ইমান কালৰ অন্তত হে তোমাক পুনৰ তপস্যা-বেমাৰে ধৰিলেনে ?"

"ইমান কাল—মানে ?" কন্দুই অবাক হৈ প্ৰশ্ন কৰিলে।

"তুমি তপস্যাৰ মূৰত চেঁচাপানী ঢালি মোক বিবাহ কৰোৱাৰ আহি নশ বছৰ ছমাহ তিনি দিন হ'ল।" হাঁহি হাঁহি প্ৰম্লোচনে ক'লে।

"হয়নে কি !" এই বুলি কৈ কন্দু লাজতে তলমূৰ হ'ল আৰু অনুতপ্ত মনেৰে এই অতি নিৰ্জন অঞ্চললৈ গৈ পুনৰ তপস্যামগ্ন হ'ল।

এই ঘটনাৰ পাছৰপৰা কন্দুৰ মনত আৰু কদাপি সাংসাৰিক সুখ-ভোগৰ বাসনা সৃষ্টি হোৱা নাছিল। বহুকালৰ অন্তত সংসাৰী কন্দুই কঠোৰ তপস্যাৰে সিদ্ধিলাভ কৰিব পাৰিছিল।

সাপ আৰু বেং

নাম যাৰ ধনপতি, তাৰ কি যে দুৰ্গতি! একেবাৰে নিৰ্ধনী এই ৰামগিৰি গাঁৱৰ ধনপতি বোলাজন। লোকৰ ঘৰত ইটো-সিটো কাম বন কৰি সি পেট প্ৰৱৰ্তাইছিল। কিন্তু তথাপি সি ধনপতি।

এদিন ৰামগিৰি গাঁৱলৈ অহা শিল্পী এজনে ৰাজধানীলৈ গৈ তেওঁৰ শিল্প-নৈপুণ্য প্ৰদৰ্শন কৰি দেশৰ ৰজাৰপৰা ঢেৰ ধন উপাৰ্জন কৰাত অবাক হৈ পৰা ধনপতিয়ে সেই শিল্পী শিৱনাথৰপৰা দেশৰ ৰজাৰ বা-বতৰি সোধাত শিৱনাথে ক'লে, "আমাৰ মহাৰাজৰ সম্পৰ্কে ক'বলগীয়া কথাৰ অন্ত নাই। তেওঁ এগৰাকী সাক্ষাৎ অৱতাৰ। তেওঁ তলোৱাৰ হাতত লৈ থিয় দিয়ে যদি—মানুহৰ কথা বাদেই দিয়া—ৰাক্ষস বা দেৱতাসকলো ত্ৰস্তমান হ'ব, পৰাজিত হ'ব। আৰু ধন-সম্পদৰ কথা কোৱা যদি—কুবেৰো তেওঁৰ আগত মুৰা কুক ভৰা কেও কিছু নোহোৱা। দান-ধৰমৰ ফালৰপৰা ৰজা শিৱি, বলি, আনকি কৰ্ণয়ো আমাৰ ৰজাৰ আগত তিষ্টিব নোৱাৰিব। আৰু কথাৰ সাৰ কথা হ'ল—মহাৰজাই প্ৰজাহঁতৰ মংগলৰ কথা চিন্তি দিনবোৰ-ৰাতিবোৰ নিয়াইছে।"

ৰজাৰ যে ইমান গুণ, শুনি ধনপতিৰ মন গ'ল ৰজাক দৰ্শন কৰাৰ। কিন্তু দৰ্শন কৰিবলৈ হ'লে ৰাজধানীলৈ যাব লাগিব। দিনে আনি দিনে খোৱা ধনপতিয়ে যায়নো কেনেকৈ ৰাজধানীলৈ? ঢেৰ খৰচ। কিন্তু এতিয়াতকৈ দুগুণ পৰিশ্ৰম কৰি দিনতে আন্ধাৰ দেখা ধনপতিয়ে পইচাৰ পোহৰ দেখা পালে



একাষৰীয়াকৈ মাতি নি তাক ক'লে, "তুমি প্ৰতিদিন দুৱৰীহঁতক খাটিবা, এদিন নহয়-এদিন সিহঁতে তোমাক ৰজাৰ ওচলৈ নিশ্চয় লৈ যাব।"

ধনপতিয়েও ৰজাক দৰ্শন নকৰাকৈ গাঁৱলৈ উভতি নাযাব বুলি খাটাং কৰিলে।

কিন্তু ৰাতিৰ পৰতে ধনপতি এক ডাঙৰ সমস্যাত পৰিল। তাৰ গাঁৱত সি যিকোনো লোকৰ ঘৰৰ বাৰাণ্ডাতে টোপনি মাৰিব পালিহেঁতেন। ইয়াত কৰেনো কি? অৱশেষত ধনপতিয়ে প্ৰহৰী কেইজনমানক তাৰ সমস্যাৰ কথাটো ক'লে।

এজন প্ৰহৰীয়ে ধনপতিক ক'লে, "কাৰোবোৰ বাৰাণ্ডাত — ইয়াত—শুব নোৱাৰিবা। সৌ তাত যে ধৰমশালা আছে, তালৈ যোৱা।"

ধনপতিয়ে আৰু কৰে কি। প্ৰহৰীহঁতৰ কথা মতে তাৰপৰা গুচি গ'ল। গৈ গৈ— সি ধৰমশালা বিচাৰি উলিয়াব নোৱাৰি, পথাৰ এখন পাই, তাতে শুলে। অলপ পাছত এজন মানুহে ধনপতিক সুধিলেহি, "তুমি কোন? ইয়াত কি কৰিছা?"

ধনপতিয়ে তাৰ ৰাজধানীলৈ অহাৰ কাৰণৰ কথাবোৰ মানুহজনক ভাঙি-পাতি ক'লে। তেতিয়া মানুহজনে ক'লে, "ৰজাক দৰ্শন কৰিবলৈ গাঁৱৰপৰা ঢপলিয়াই আহি

কিছুদিনৰ পাছত। আৰু এদিন সি তাৰ সাঁচতীয়া পইচাখিনি ৰাজধানীলৈ গ'ল।

কাষলতিৰ তলত টোপোলা এটাৰে সৈতে দুখীৰো দুখী ধনপতি ৰজাৰ প্ৰাসাদৰ দুৱৰীক ক'লে তাৰ মনৰ কথা। তেতিয়া দুৱৰীয়ে হাঁহি মাৰি ধনপতিক ক'লে, "তোমাৰ নিচিনা মানুহকো যদি মহাৰাজে দৰিশন দিবলগীয়া হয়, কথা বিষমেই।

"মাত্ৰ মহাৰাজক এটিবাৰলৈ দেখিম, আৰু ওলাই আহিম। মই তেওঁৰপৰা একো নোখোজোঁ।" ধনপতিয়ে দুৱৰীক ক'লে।

এজন বাটৰুৱাই এইবোৰ কথা শুনি আছিল। বাটৰুৱাজনে ধনপতিক

তুমি এই পথাৰত শুই থকা কথাটো কোনেও বিশ্বাস কৰিবনে বাৰু ? তোমাৰ টোপোলাটোত কি আছে চাওঁচোন ?”

ধনপতি অলপো ক্ষুণ্ণ নহৈ তাৰ টোপোলাটো খুলি মানুহজনক দেখুৱালে। টোপোলটোৰ ভিতৰত মোৰ বাছকবনীয়া পোছাকপাতি আৰু জোতা এযোৰ আছিল। এই পোছাক আৰু জোতাযোৰ আছিল বৰ দামী, কেৱল ধনী লোকসকলেহে ইমান দামৰ সাজ-পোছাক পিন্ধিব পাৰে। মানুহজনে ধনপতিৰ পিনে তীব্ৰ দৃষ্টিৰে চাই সুধিলে, “তুমি দেখোন দেখাত এটা মগনিয়াৰৰ দৰে। ইমান দামী সাজ-পাৰ যে তোমাৰ নহয়—সেই কথা যিকোনো মানুহেই ক’ব। সঁচা কোৱা, এইবোৰ কাৰ ? ক’ৰপৰা আনিছা তুমি ?”

“একেৰাহে প্ৰায় এবছৰমান অসন্তৰ পৰিশ্ৰম কৰি, খাই-নেখাই, এই পোছাক-পাতি আৰু জোতাযোৰ মযেই কিনিলোঁ। আপুনি ভবা মতে—এইবোৰ মই চুৰি কৰি অনা নাই।” ধনপতিয়ে ক’লে।

“যদি সেয়ে হয়—নিজেই কিনিছিলা যদি—নিপিন্ধলা কিয় ?” মানুহজনে সুধিলে।

“এইখিনি পা-পোছাক পিন্ধি মহাৰাজক দৰ্শন কৰাৰ মন আছিল। আগতেই পিন্ধিলে লেতেৰা হ’ব যে— ?” ধনপতিয়ে



মানুহজনক ক’লে।

“তুমি মহাৰাজক দৰ্শন কৰিবা, কিন্তু মহাৰাজে তোমাক দৰ্শন নিদিব। এনে অৱস্থাত—ইমান দামী বাছকবনীয়া সাজ-পাৰৰ তোমাৰ দৰকাৰটোনো কি ? তুমি—কিছুমান কথা নিশ্চয় নোকোৱাকৈ আছা।” মানুহজনে ক’লে।

খন্তেকমান তলমূৰ হৈ থকাৰ অন্তত ধনপতিয়ে ক’লে, “চাওক, আমাৰ মহাৰাজ এগৰাকী অৱতাৰ বুলি ময়ো শুনিছোঁ। তেওঁ ৰাইজৰ মংগলৰ কাৰণে দিনে-নিশাই দেশত যাতে মগনিয়াৰ নাথাকে, দেশৰ-পৰা দাৰিদ্ৰ্য গুচে; তাৰ বাবে মহাৰাজে

পালোঁ। কওঁ শুনা, তুমি যিজনক দৰ্শন কৰিবলৈ ৰাজধানী পাইছাহি, ময়েই সেইজন ৰজা।" মানুহজনে অবাক হৈ পৰা ধনপতিক ক'লে।

তৎক্ষণাৎ ধনপতিয়ে কৰযোৰে কৈ উঠিল, "হে মহাপ্ৰভু! আপুনি এই দেশৰ মহাৰাজ! মই যে—মই যে নিজৰ চকুকো বিশ্বাস কৰিব নোৱৰাত পৰিছোঁ। মোৰ জন্ম সাৰ্থক হ'ল। কিন্তু মহাৰাজ—এই তুপৰ নিশা আপুনি ইয়াত ঘূৰি ফুৰিছে কিয় ক'বনে দয়া কৰি?"

প্ৰজাবৰ্গই মোৰ সম্পৰ্কে কি কয়-নকয়, সেই কথাৰ বুজ-বাজ ল'বলৈ মই ভেশছন লৈ ৰাতিৰ পৰতে ঘূৰি ফুৰোঁ কেতিয়াবা কেতিয়াবা। আজি তোমাক ইয়াত পাই মই ভাল পাইছোঁ। কালিলৈ তুমি মোৰ ওচৰলৈ যাবা, তুৱৰীহঁতে তোমাক আৰু বাধা নিদিয়ে। প্ৰাসাদত মোক লগ ধৰিবাগৈ। মই নিশ্চয় তোমাৰ তুখ-দাৰিদ্ৰ্য গুচাম।"

ৰজাৰ কথাৰ উত্তৰত ধনপতিয়ে একো নক'লে। ধনপতিক নিমাত হৈ থকা দেখি মহাৰাজে পুনৰ ক'লে, "তোমাৰ কথা শুনি, তোমাৰ পিন্ধনত থকা ছিণ্ডা-ফটা কাপোৰ-কানি দেখি, তুমি যে তুখীৰো তুখী সেই কথাটো বুজাত কষ্ট নহয়।

সদায় চেষ্টা কৰি থকাৰ কথাও মই শুনা নহয়। কিন্তু মগনিয়াৰ নাথাকিলেও মোৰ দৰে দিনতে আন্ধাৰ দেখা মানুহো যে আছে, থাকিব পাৰে তেওঁৰ দেশত, সেই কথাটো কৈ, মহাৰাজৰ মনত তুখ দিয়াৰ মোৰ সমূলি ইচ্ছা নাই। সেই কাৰণেহে মই ধনী মানুহৰ পোছাক-পাতি পিন্ধি মহাৰাজৰ আগত ওলামগৈ বুলি ভাবিছিলোঁ।"

"ইচ্, ৰাম! তেনেহ'লে — কথা দেখোন বিপৰীতেই হ'ল! বেঙো ওলাল আৰু সাপেও দেখিলে। তুমিও ইয়ালৈ ওলালাহি, আৰু ময়ো তোমাক দেখা

কিন্তু—মই বুজাখিনি যাতে মোৰ সে মন্ত্ৰীহঁতে বুজি পায়—তাৰ বাবে—তুমি তোমাৰ এই ছিঙা-ফটা উঁৰলি যোৱা কাপোৰ-কানিখিনি পিন্ধিয়েই মোৰ ওচৰলৈ যাবা। তোমাৰ টোপোলাত থকা দামী পোছাক-পাতিখিনি মই লৈ যাম এতিয়াই।" এই বুলি কৈ, ধনপতিৰ টোপোলাটোক লৈ, তৎক্ষণাৎ মহাৰাজ তাৰপৰা গুচি গ'ল।

পাছদিনা, প্ৰাসাদৰ দুৱৰীহঁতক ধনপতিক প্ৰাসাদৰ ভিতৰ সোমাবলৈ দিয়াৰ বাবে মহাৰাজে আদেশ দি থৈছিল। কিন্তু ধনপতি সিদিনা নগ'ল প্ৰাসাদলৈ। ৰৈ ৰৈ ৰৈ ৰৈ—অৱশেষত ধনপতিক ধৰি আনিবলৈ ৰজাই আদেশ দিলে।

ধৰি লৈ অহাৰ পাছত ৰজাই ধনপতিক সুধিলে, "তুমি কালি অহা নাছিলা কিয়?"

ধনপতিয়ে সবিনয়ে ক'লে, "মহাৰাজ, আপোনাক দৰ্শন কৰাৰ মনেৰেই মই ৰাজধানীলৈ আহিছিলোঁ। অভাৱিতভাৱে আপোনাৰ দৰ্শন লাভ কৰি মই ধন্য মানিছিলোঁ। কিন্তু আপোনাৰপৰা ধন-সম্পদ পোৱাৰ বা লোৱাৰ ইচ্ছা মোৰ সমূলি নাছিল, সেয়েহে—মই আপোনাক মিছামিছিকৈ আমনি দিবলৈ ৰাজধানীলৈ অহা নাছিলোঁ।"

"তুমি যে নিজৰ লাভৰ কথা চিন্তি অহা নাছিলা ৰাজধানীলৈ, কথাটো ময়ো বুজি পাইছিলোঁ। পিছে—দেশত যে তোমাৰ নিচিনা দুখীৰো দুখী আছে—সেই কথা মোক কেতিয়াও কোনেও কোৱা নাছিল। যি কি নহওক—মই মোৰ ভুলৰ প্ৰায়শ্চিত্ত হিচাপে হ'লেও এইখিনি তোমাক দিছোঁ। অনুগ্ৰহ কৰি এইখিনি গ্ৰহণ কৰি মোক মোৰ কৰ্তব্যত অৱহেলাজনিত পাপৰপৰা মুক্ত কৰাঁ।" এই বুলি কৈ, ৰজাই এমোনা সোণৰ মুদ্ৰা ধনপতিক দিলে।

ভাগ্যৰ ঢাকনী

জমিদাৰ সোমনাথক এজন মহৰী লাগিছিল। আৰু খবৰটো পায়েই মহৰী কাম বিচাৰি কমেও একুৰিমান ডেকাল'ৰা জমিদাৰৰ ওচৰলৈ ঢপলিয়াই আহিল।

জমিদাৰ সোমনাথে সেই একুৰিমান ডেকাক ক'লে, "মহৰীৰ কামৰ কাৰণে ইমান ডেকাল'ৰা অহিব বুলি মই কল্পনাও কৰিব পৰা নাছিলোঁ। যি কি নহওক—তোমালোক আহিলাই যেতিয়া, তোমালোকৰ পৰীক্ষাও ল'ম আৰু তোমালোকৰ মাজৰেপৰাই এজনক কামতো ল'ম। এতিয়া যি কওঁ, ননপুতি শুনিবা। তোমালোকৰ আগত দহোটা চৰু থৈ দিয়া হ'ব, প্ৰতিটো চৰু ঢাকনীৰে ঢকা থাকিব। সেই দহটাৰ মাজত মাত্ৰ এটা চৰুত এটা সোণৰ মুদ্ৰা থাকিব। এই সোণৰ মুদ্ৰা থকা চৰুটোৰ ঢাকনী যিজনে গুচাব—মই তাকেই মহৰী কামত ল'ম।"

জমিদাৰৰপৰা ইংগিত পাই এজন মানুহে দহটা চৰু তাত থৈ গ'ল। এখন পৰ্দা তৰি দিয়া হ'ল, যাতে আঁৰত থকাইতে কোনে কোনটা চৰুৰ ঢাকনী গুচালে তাক দেখা নাপায়।

একে একে উনৈছজন ডেকাল'ৰাই চৰুৰ ঢাকনী গুচালেগৈ; কিন্তু এজনো সফল নহ'ল। সোণৰ মুদ্ৰা থকা চৰুৰ ঢাকনীখন কোনেও গুচাব নোৱাৰিলে।

সৰ্বশেষ ডেকাল'ৰাজনৰ নাম আছিল আনন্দ। আনন্দই আনন্দৰে সৈতে এইবোৰ কথা-কাণ্ডলৈ তীব্ৰ দৃষ্টিৰে লক্ষ্য কৰি আছিল। কিন্তু—উনৈছত বা বোলোৱা সেই উনৈছজনৰ পৰীক্ষা সমাপ্ত

চন্দন চহৰীয়া

হোৱাৰ পাছতো আনন্দই চৰুৰ ঢাকনী তথা ভাগ্যৰ ঢাকনী গুচাবলৈ খোজ নোলোৱা হ'ল

তেতিয়া জমিদাৰে আনন্দক প্ৰশ্ন কৰিলে, "তুমিও যদি মহৰীৰ চাকৰি বিচাৰিয়েই আহিছা—তেনেহ'লে চৰুৰ ঢাকনী কিয় গুচোৱা নাইগৈ ?"

আনন্দই ক'লে, "ডাঙৰীয়া, আপোনাৰ এই পৰীক্ষা-পদ্ধতি বৰ স্বাভাৱিক যেন লগা নাই মোৰ।"

জমিদাৰ সোমনাথে ভুৰু কোঁচাই ক'লে, "তাৰ মানে— ? মোৰ এই পৰীক্ষা-পদ্ধতিক ভুৱা বুলি ক'ব খুজিছানে কি ?"

"চাওক, মই তেনেকুৱা কোনো মন্তব্য কৰিবলৈ বিচৰা নাই। কিন্তু চাকৰি-প্ৰাপ্তিৰ কৰ্মদক্ষতা তথা গুণৰ পৰীক্ষাহে লোৱা হয় বুলি ইমান দিনে জানি আহিছোঁ। মই চাকৰিৰ বাবেহে আপোনাৰ ওচৰলৈ আহিছোঁ, ভাগ্য পৰীক্ষাৰ বাবে নহয়। মই আন এটা কথা কওঁ, বেয়া নাপাব। মোৰ ধাৰণা, সেই চৰুবিলাকৰ মাজত এটা চৰুতো সোণৰ মুদ্ৰা নাই।"

"সেই কাৰণেহে তুমি চৰুৰ ঢাকনী নুগুচালা ?" জমিদাৰে সুধিলে।

"ক্ষমা কৰিব, কৈছোঁৱেই, ভাগ্য-পৰীক্ষাৰ ইচ্ছা মোৰ সমূলি নাই।"

আনন্দৰ কথা শুনি আনন্দিত জমিদাৰ ডাঙৰীয়াই আনন্দক ক'লে, "তোমাৰ গভীৰ বুদ্ধিমত্তাই মোক মুগ্ধ কৰিলে। তুমি ঠিকেই কৈছা, কোনো চৰুতেই সোণৰ মুদ্ৰা নাই। মই এই পৰীক্ষাৰ মাধ্যমেৰে নিজৰ ওপৰত আস্থা থকা কাৰোবাক বিচাৰি আছিলোঁ—যিজনে কৰ্মেৰে ভাগ্যৰ ঢাকনী গুচাব পাৰে। মই তোমাক সানন্দে এতিয়াৰেপৰাই কামত ল'লোঁ।"

জমিদাৰৰ এই কথা শুনিয়েই উনৈছত বা বোলোৱা সেই উনৈছজনে উৰি-পাক মাৰি তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।



কথা কোৱা দৰব

থাপৰি ইটাৰ চাল থকা ঘৰ এটা ভাৰালৈ লৈ মৰণ আৰু মোহিনীয়ে বিয়াৰ পাছত থাকিবলৈ ল'লে। সিঁহত দুয়ো আছিল বৰ টোপনি-গতুৰা। টোপনিৰপৰা সাৰ পাওঁতে সদায় বৰ বেলা হৈছিল, আৰু তাৰ ফলত মৰণেও খেতি-বাতিৰ কামত সদায় পলমকৈ গৈছিল। মৰণে তাৰ মৰ-টোপনিৰ কথা বন্ধু ৰতনক ক'লে। ৰতনে মৰণক ক'লে চঞ্চলবৈদ্যৰ ওচৰলৈ যাবলৈ।

চঞ্চলবৈদ্যই মৰ-টোপনি মৰা মৰণৰ কথা শুনি এবিধ দৰব দিলে আৰু ক'লে "এই দৰবখিনি আপোনালোকে—মানে আপুনি আৰু আপোনাৰ তেওঁ—একেলগে খাব। ৰাতি পুউৱাৰ ঢেৰ আগতেই—বোৱাৰী পুৱাতেই পিঠিত হাত ফুৰাই কোনোবাই আপোনালোকক জগাই দিয়া যেন পাব। মোৰ দৰবৰ ইমানেই গুণ, মোৰএ ই দৰবৰ কথা কোৱা দৰব।'

ৰাতি খোৱা-বোৱাৰ অন্তত দুয়ো দৰব খাই শুলে, আৰু সঁচাসঁচিকৈ ধলপুৱাতে সাৰ পালে। সাৰ পায়েই দুয়ো জীৱনত প্ৰথম বাৰৰ বাবে বেলি ওলোৱা চাবলৈ ওলাল আৰু সিঁহতেও যে ৰাতি নৌ পুৱাওঁতেই টোপনিৰপৰা জাগি উঠিব পাৰে, চুবুৰীয়াক দেখুৱাবলৈ বুকু ফিন্দাই বাটলৈ ওলাল।

বাটত ৰতনে মৰণক সুধিলে, "কথানো কি ? যোৱা তিনিদিন ক'ৰবালৈ গৈছিলানে কি ? দেখাদেখি নাই যে—?"

মুহূৰ্ততে মৰণে বৈদ্যৰ 'কথা কোৱা দৰব'ৰ গুণ বুজি পালে। এপালিকৈ খায়েই একেবাৰে একেৰাহে তিনিদিন ধৰি দুয়ো মৰ-টোপনি মাৰিছিল।

১৬

উগ্ৰদত্ত
আৰু তাৰ লগৰীয়া ৰুদ্ৰ
আৰু মন্ত্ৰকো জ্বালাদ্বীপিয়াইতে
চৰাইৰ পিঠিত উঠাই জ্বালাদ্বীপলৈ
বুলি ৰাওনা হ'ল। আকাশপথতে জ্বালাদ্বীপিয়াইতৰ
লগত ভয়ংকৰ ভালুকদলৰ দেখাদেখি হ'ল আৰু লগে লগে দুয়ো
দলৰ মাজত নাই তই নাই মই লাগি পৰিল। চৰাইৰ পিঠিত বহি থকা
জ্বালাদ্বীপিয়াটোৱে উগ্ৰদত্তক ঠেলি বগাই পেলালে। তলত থকা ভালুকদলৰ
এটাই উগ্ৰদত্তক উদ্ধাৰ কৰি এচটা শিলৰ তলত থকা গুপ্ত গুহাৰ ভিতৰলৈ লৈ গ'ল।
আৰু তাৰ পাছত…

ভালুকদলৰ যুঁজাৰুইঁ:ত গুহাৰ দুৱাৰমুখ পুনৰ গধুৰ শিলচটাৰে বন্ধ কৰি দিলে। আৰু লগে লগে গুহাৰ ভিতৰফাল নিমজ এন্ধাৰৰ বুকুত জাহ গ'ল। খোজ ল'বলৈকো টান পালে উগ্ৰদত্তই। ভালুকদলৰ এটাই উগ্ৰদত্তই যাতে উজুটি খাই নপৰে তাৰ বাবে তাক ধৰি থাকিল। সি উগ্ৰদত্তক ক'লে, "ইমান খৰখেদা নকৰিবা। ইয়াৰ-পৰা একুৰি ঢাপ তললৈ নামিলেহে আমি এই গুহাৰ শেষপ্ৰান্ত পামগৈ। এন্ধাৰলৈ

একদম ভয় নকৰিবা, মোৰ হাতত এবিধ জোঁৰ আছে।” এই বুলি কৈ, সি তাৰ জেপৰপৰা অতি উজ্জ্বল মণি এটা উলিয়াই আনিলে আৰু তাকে দেখি তাৰ লগৰীয়া দুটায়ো নিজৰ নিজৰ জেপৰপৰা উজ্জ্বল মণি উলিয়াই লৈ তললৈ· ·আৰু তললৈ নামিবলৈ ধৰিলে।

ভালুকদলৰ মানুহবিলাকৰ হাতত এনেহেন আপুৰুগীয়া মণি দেখা পাই উগ্ৰদত্তই তৰধ মানিলে। উগ্ৰদত্তই ভাবিলেঃ তেলৰ জেঁাৰৰ সলনি মণিৰ পোহৰ! —উগ্ৰদত্তই সুধিলে, “বাৰু, তোমালোকৰ হাতত যি বস্তুটো আছে—সেই বস্তুটো জ্বলাবলৈ তেলৰ আৱশ্যকতা নাইনে কি? এই মণিৰ বাহিৰে আন কিবা প্ৰকাৰে পোহৰ পোৱা নাযায়নে কি?”

“তেল—? তেলনো কি বস্তু? অ’—হয় হয়, মনত পৰিছে। তোমালোকৰ ৰাজ্যৰপৰা ক্ৰীতদাস হিচাপে যিহঁতক ইয়ালৈ লৈ অহা হয়, সিহঁতৰ মুখৰপৰাও মাজে-মধ্যে এই তেলতেলীয়া ‘তেল’ শব্দটো ওলোৱা শুনো আমি, নুশুনা নহয়।” ভালুকদলৰ এটাই ক’লে।

“অৱশ্যে—পোহৰ দিয়াত এই মণিও বঢ়িয়া বস্তু।” উগ্ৰদত্তই কৈ উঠিল, আৰু ঠিক সেই মুহূৰ্তত জ্বালাদ্বীপিয়াহঁতৰ কবলত থকা তাৰ দুই বন্ধু ৰুদ্ৰ আৰু মদ্ৰৰ কথা, আৰু লগতে সামন্তৰজা সুদৰ্শনৰ জীয়েক চন্দ্ৰসেনাৰ কথা বৰকৈ মনত পৰি।

এইবোৰ কথা ভাবি ভাবি, একুৰি ঢাপ পাৰ হৈ তললৈ নামি আহিল উগ্ৰদত্ত। গুহাটো বৰ দীঘল বা বহলো নহয়। বহলে মুঠমাঠ তিনিহাতমান, আৰু ক’ৰবাত পাঁচ হাত ক’ৰবাত দহহাতমান ওখ।

উগ্ৰদত্তই ভালুকদলৰ মানুহকেইটাক প্ৰশ্ন কৰিলে, এই গুহাৰ মাজেদি তোমালোকে মোক ক’লৈ লৈ যাব ধৰিছানো? জালাদ্বীপিয়াহঁতৰ কবলৰপৰা তোমালোকে

মোক ৰক্ষা কৰিলা, কিন্তু কুৰুৰাৰ হাতৰ-পৰা পঞ্চমুখীয়াৰ হাত পৰিছোঁ। যদি—মোৰ লাভনো কি হ'ল? সিহঁতৰ সলনি তোমালোকে যদি মোক ক্ৰীতদাস হিচাপে লৈছা তেনেহ'লে কথা, দেখোন একেই হ'ল।"

ভালুকদলৰ এটাই উগ্ৰদত্তৰ কথা শুনি হাঁহি উঠিল, এটাৰ উঠিল খং, আৰু আনটোৱে উগ্ৰদত্তক ক'লে, "তোমাক ক্ৰীতদাস কৰাহেঁতেন এই সুড়ংগ তোমাক নেদেখুৱালোহেঁতেন। এই বাটেদি লৈ যোৱাহেঁতেন, তেতিয়া তোমাৰ চকুত কাপোৰেৰে বান্ধিহে লৈ গ'লোহেঁতেন। আমি কোনো মানুহক কেতিয়াও ক্ৰীতদাস হিচাপে নলওঁ। তেনেবোৰ কাম বাঘ ছালপিন্ধাহঁতেহে কৰে। পিছে—তোমালোকৰ ৰাজাৰ সকলোটিক সমানভাৱে বিশ্বাস কৰাটো নিৰাপদ নহয়। কিয়নো, তোমলোকৰ মাজতো বাঘছালপিন্ধাহঁতৰ দালাল ঢেৰ ওলাব। সিহঁতৰ চৰ্দাৰ এটাই একপাদক সহায় কৰে। ভাল কথা, নাগবৰ্মাৰ সৈতে তোমাৰ বাৰু চা-চিনাকি আছেনে?"

"আছে। সি দেখোন…।" উগ্ৰদত্তই আৰু কিবা ক'বলৈ নৌপাওঁতেই ভালুক-দলৰ আন এটাই উগ্ৰদত্তক প্ৰশ্নটো সোধাটোক ডাবি মাৰি কৈ উঠিল, "তুমি সেই অথনিৰেপৰাই একেৰাহে প্ৰশ্ন কৰি আছা। চৰ্দাৰৰ কথা পাহৰিলাইনে কি?"

ডাবিৰে কাম হ'ল। সিহঁতকেইটা নিমাতে গৈ থাকিল। আগে আগে পোহৰ-মণি হাতত লৈ দুটা, তাৰ পাছত উগ্ৰদত্ত আৰু উগ্ৰদত্তৰ পিছত আছিল ভালুকদলৰ আন এটা।

এইদৰে কিছু সময় ধৰি গৈ থকাৰ অন্তত সিহঁতৰ আগত থিয়দঙা শিল এচটা দেখা গ'ল। ভালুকদলৰ এটাই সেই বিৰাট শিলচটাৰ একাষত আঙুলিৰে লাহেকৈ হেঁচি দিয়াৰ লগে লগে বিশাল

উগ্রদত্তৰ পলম নহ'ল। উগ্রদত্তই আৰু বুজি পোৱা হ'ল যে ভালুকদলেও শত্রুপক্ষ সোমোৱাৰ আশংকা নকৰা নহয়।

তৰোৱাল হাতত থকা মানুহজনে ইহঁতক সুধিলে, "মাত্র এজন ধৰা পৰিল ?"

"আনবিলাকৰ খা-খবৰ আমি ক'ব নোৱাৰিম। কিন্তু তুমি আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ লৈছা কিয়হে ?" ভালুক-দলৰ তিনিটাৰ মাজত এটাই ক'লে।

তাৰ পাছত সেই শিলচটাৰ গিফালৰ অন্ধকাৰৰ মাজেদি উগ্রদত্তই বহুদূৰলৈকে যাবলগীয়া হ'ল। এই সুড়ংপথৰ শেষ ক'ত ? ইহঁতে—এই ভালুকদলে বাঘছালপিন্ধাইঁতৰ লগত বলে নোৱাৰি চাগৈ এই পাতাল-ৰাজ্য সাজি উলিয়ালে। উগ্রদত্তই ভাবিলে।

হঠাৎ উগ্রদত্তৰ আগে আগে গৈ থকা মানুহটোৱে তাৰ হাতত থকা পোহৰ-মণিটো হাতৰ মুঠিত বন্ধ কৰি মাটিত গোৰ মাৰিলে, আৰু লগে লগে পাতালৰো পাতাল ফালি পোহৰৰ নিজৰা ওলাল।

সিহঁতৰ মাজৰ এটাই কৈ উঠিল, "সাৱধান ! খুব সাৱধান ইয়াৰপৰা একেছটা ঢাপ নামি যাব লাগিব। এবাৰ কোনোবা কেনেবাকৈ পিছল খাই পৰিছা যদি ·····।" সি ৰ'ল। কিন্তু উগ্রদত্তই

শিলচটা নিমজভাৱে নিশৱদে অলপ একাষৰীয়া হৈ পৰিল আৰু সেই বিৰাট-বিশাল শিলচটাৰ নিঃসীম অন্ধকাৰ হৈ থকা সিফালৰপৰা এক সাগৰ সংকাশ কণ্ঠৰপৰা ধ্বনিত হ'ল : "শৰভম্ ?"

আৰু তাৰ পাছমুহূৰ্ততে সেই শিলৰ দুৱাৰখন যেনিবা ভোজবাজীৰ দৰে তাৰপৰা একেবাৰে নোহোৱা হৈ পৰিল আৰু কোৱা হ'ল : "ভালুকম্ !"

লগে লগে সিফালত তৰোৱাল হাতত লৈ থকা মানুহ এজনে এই ফাললৈ চালে।

'শৰভম্' আৰু 'ভালুকম্' যে ইহঁতৰ সাংকেতিক ভাষা—সেই কথাটো বুজাত


CHITRA

তাৰ প্ৰতি এই সাৱধান-বাণীৰ অৰ্থ ধৰিব নোৱাৰিলে।

হঠাৎ এটা প্ৰকাণ্ড আৰু গভীৰ খাদ দেখা গ'ল। এই খাদত দিনহেন পোহৰৰ সমদল। গৈ গৈ সিহঁত আটাইকেইজনেই এডোখৰ সমতল ঠাই পালেগৈ। এই 'দিনহেন পোহৰ' আচলতে মণিৰপৰা ওলোৱা পোহৰ। এই ঠাইডোখৰৰ দেৱালৰ গাতে আছিল অসংখ্য মণি। ভালুকদলৰ এটাই এখন দুৱাৰত তিনিবাৰ টুকুৰিয়ালেগৈ আৰু লগে লগে দুৱাৰখন মেল খাই পৰিল আৰু অলপমান আঁতৰত ওখ আসন এখনত অৰ্থাৎ সিংহাসনত এজন বলিষ্ঠ মানুহক বহি থকা দেখা গ'ল। মানুহজনৰ মস্তকৰ মুকুটত ভালুকৰ চিন।

ভালুকদলৰ তিনিটাৰ মাজত এটাই সিংহাসনলৈ আগুৱাই গ'ল আৰু মুকুট পিন্ধা মানুহজনক গুন-গুনকৈ কিবাকিবি ক'লেগৈ। মানুহজনে উগ্ৰদত্তলৈ চালে আৰু হাত বাউল দি উগ্ৰদত্তক মাতিলে।

উগ্ৰদত্ত তালৈ গ'ল। ভালুকদলৰ সেই মানুহটোৱে উগ্ৰদত্তক ক'লে, "এওঁ আমাৰ চৰ্দাৰ। এখেতৰ নাম কন্ধ।"

কন্ধই উগ্ৰদত্তৰ ভৰিৰপৰা মূৰলৈকে চাই ল'লে আৰু তাৰ পাছত সুধিলে, "তোমাৰ নিচিনা আৰুনো কিমানক সেই বাঘপৰুৱাহঁতে ধৰি লৈ গ'ল?"

বাঘছাল পিন্ধাহঁতক যে কন্ধই 'বাঘপৰুৱা' বুলি ইতিকিং কৰিছে উগ্ৰদত্তই নুবুজাকৈ নাথাকিল। উগ্ৰদত্তই কন্ধক ক'লে, "চাৰিজনক। এগৰাকী হ'ল মহিলা।"

"সিহঁত ক'ত আছে?" কন্ধই সুধিলে।

"নাজানো।" এই চমু উত্তৰ দি উগ্ৰদত্তই ভাবি থাকিল: এনেকুৱা প্ৰশ্ন কৰিছেনো কেলেই? কিবা ৰহস্য আছে নে?

চিন্তান্বিত উগ্ৰদত্তলৈ চাই কন্ধই উগ্ৰদত্তক ক'লে, "মনত ৰাখিবা, মই তোমালোকৰ শত্ৰু নহওঁ, মিত্ৰহে। মই

তোমালোকৰ ৰাজ্যৰপৰা ধন-সম্পদ লুট-পাত কৰি নানো, তাৰ প্ৰয়োজনো নাই। বাঘপকুৰাহঁত তোমালোকৰো শত্ৰু, আমাৰো। নহ'লেনো ইমান কষ্ট কৰি আমি গুহাৰ ভিতৰত সোমাই থাকোঁনে? জ্বালাদ্বীপৰ বন্ধুৰ ভাও লৈ তোমালোকৰ ৰাজ্যৰ একপাদে যে কিখিনি সৰ্বনাশ সাধিছে সেই কথা নিশ্চয় তোমালোকেও নজনাকৈ থকা নাই। এক কেৰ্কেটুৱাই হাজাৰটকীয়া বাৰী নষ্ট কৰাৰ দৰে এই মহা দুষ্ট একপাদে তোমালোকৰ আৰু লগতে আমাৰো সৰ্বনাশ কৰিছে। সেই দেখি, একপাদ আৰু তাৰ অনুচৰহঁতক সমূলঞ্চে ধ্বংস কৰাৰ মনেৰে মই আৰু তোমালোকৰ ৰাজ্যৰ এজন লগ লাগি এটি আঁচনি পাঙিছোঁ। তোমালোকৰ ৰাজ্যৰ কোন হ'ব পাৰে কোৱাচোন?"

কন্ধই তাৰ এজন অনুচৰক ইংগিতেৰে কিবা ক'লে আৰু সেই অনুচৰজনে কন্ধৰ পিছফালত থকা দুৱাৰখন খোলাৰ লগে লগে তাৰপৰা ওলাই আহিল ৰুদ্ৰ।

"ৰুদ্ৰ!" প্ৰায় চিঞৰি উঠি উগ্ৰদত্তই ৰুদ্ৰক বুকুৰ মাজত আঁকোৱালি লৈ সুধিলে "মন্ত্ৰও ইয়াতে আছেনে? আৰু আমাৰ সেই ৰাজকুঁৱৰী চন্দ্ৰসেনা—?"

"সিহঁত দুয়ো জ্বালাদ্বীপিয়াহঁতৰ কবলতে আছে। মই কন্ধৰ অনুচৰসকলৰ কৃপাতহে কথমপি সাৰি এই ঠাই পাইছোঁহি।" ৰুদ্ৰই উগ্ৰক ক'লে।

কন্ধই উগ্ৰদত্তক ক'লে, "উগ্ৰদত্ত, ৰুদ্ৰৰপৰা মই তোমাৰ বিষয়ে জানিব লগীয়াখিনি জানি লৈছোঁ। মই আৰু ৰুদ্ৰই মিলি যিখন আঁচনি কৰিছোঁ, সেই আঁচনি মতে—তোমাৰ পালনকৰ্তা উগ্ৰাক্ষ আৰু তেওঁৰ অনুচৰহঁতকো আমি ইয়ালৈ লৈ আহিম আৰু তাৰ পাছত একপাদৰ সৈতে ভালকৈ এহাত খেলিম। তাৰ চিন-মোকাম নোহোৱা কৰিহে এৰিম বুলি শপত খাইছোঁ মই।"

"তোমালোকৰ অধীনত থকা ভয়ংকৰ চৰাইবিলাকে এই ৰাক্ষসহঁতক কঢ়িয়াই আনিব পাৰিব জানো?' উগ্ৰদত্তই সুধিলে।

"নহয়, এই কাম কৰিব নোৱাৰিব। কিয়নো—ৰাক্ষসহঁত বৰ গধুৰ। পিছে—ৰাক্ষসহঁতক আমি জলপথেৰে লৈ আহিম।"

"হয় হয়—" উগ্ৰদত্তই কৈ উঠিল, "ইয়ালৈ আহোঁতে সাগৰ তীৰ, অগ্নিপৰ্বত এইবোৰ সপোনত দেখা দি ক'ৰবাত দেখা দেখা যেন লাগিছিল।"

"মোৰ অনুচৰহঁতে মন কৰিলে দুষ্ট এক-পাদৰ অট্টালিকাত এতিয়াই জুই লগাই দিব পাৰেগৈ। কিন্তু লগতে তাকো মাৰি নেপেলালে পাছত তাক ফান্দত পেলোৱা অসম্ভৱ।" কন্ধই ক'লে

তাৰ পাছত কন্ধই তাৰ সিংহাসনৰপৰা নামি আহি, উগ্ৰদত্তক লগত লৈ, সুড়ংগৰ মাজেদি আৰু অলপ আগুৱাই গৈ, এঠাইত থিয় হৈ দূৰলৈ আঙুলিয়াই ক'লে, "সৌৱা চোৱা উগ্ৰদত্ত, সৌ যে চাৰিওফালে জুই আৰু সোঁমাজত অট্টালিকা দেখা পাইছা, সেই অট্টালিকাটোৱেই হ'ল একপাদৰ প্ৰাসাদ। সেই জুই কিন্তু কোনো অগ্নিপৰ্বত-টৰ্বত নহয়, একপাদৰ আদেশক্ৰমে তাৰ সেই অট্টালিকাৰ চাৰিও-ফালে জুইৰ সৃষ্টি কৰা হৈছে। এক গুপ্ত-পথেৰে একপাদৰ অট্টালিকালৈ যাব পাৰি কিন্তু তথাপি তাক হত্যা কৰাটো প্ৰায় অসম্ভৱ কথা।"

"কিন্তু কেনেবাকৈ তাক ফান্দত পেলাব পাৰিলে—তাক হত্যা কৰাতনো কিমান পৰ?" উগ্ৰদত্তই কৈ উঠিল।

কন্ধই গহীন মাতেৰে ক'লে, "এই কন্ধপৰা একপাদ বোলাটোৰ এটা আচৰিত ক্ষমতা আছে। এই ক্ষমতা হ'ল—সি যিজনৰ তেজ দেখা পাব, বা তাৰ গাৰ তেজ যিজনে দেখিব—সেইজনৰহে সেই মুহূৰ্ততে মৃত্যু হ'ব। [অহা সংখ্যাত

একিল খালেহে এবুধি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি আনৰ উপকাৰ কৰিবা বুলি এনে অভাৱিত শ্ৰম যুগ যুগ ধৰি কৰি আছা, তথাপি কওঁ, কেতিয়াবা কেতিয়াবা অতি উপকাৰীকো অজগৰে খায়। সঁচাকৈয়েই খায়। এতিয়া যদি মোৰ কথা নুশুনা, পাছত ঠেকি শিকিবা। মোৰ এই মন্তব্যৰ উদাহৰণস্বৰূপে তোমাক এগৰাকী উপকাৰীৰ তথা সেৰকৰ কাহিনী ক'ম। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো লাভ নহ'লেও

'বেতাল-কথা'

তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি মন্তব্য কৰাৰ অন্তত বেতালে ক'বলৈ ধৰিলে :

চন্দ্ৰশীলাদেশৰ মহাৰজা চৰিতাৰ্থৰ অধীনত সুচৰিত নামৰ এজন বুদ্ধিমান মানুহে কাম কৰিছিল। সুচৰিতে প্ৰত্যুৎপন্নমতিত্বৰে প্ৰায় যিকোনো সমস্যাৰ সমাধান কৰিব পাৰিছিল ; কিন্তু ৰজাৰ-পৰা কোনো ধৰণৰ পৰামৰ্শ বা উপদেশ সুচৰিতে কদাপি গ্ৰহণ নকৰিছিল।

*

এদিন কিবা এটা বিষয়ত আলোচনা কৰি থাকোঁতে সুচৰিতে ৰজাক ক'লে, "আপুনি—কোনোবা এটা গুৰুতৰ বিষয়ত চিন্তিত যেন বোধ হৈছে। কথাটো মই জানিব পৰাবিধৰনে, মহাৰাজ?"

ৰজাই হাঁহি মাৰি ক'লে, "মোক সকলোটিয়ে কয় — মহাৰাজ। কিন্তু মহাৰাজে তেওঁৰ নিজৰ সমস্যাৰ কেনেকৈ সমাধান কৰিব মহাৰাজেই নাজানে। তথাপি—যিহেতু ময়েই ৰজা, নিশ্চয় কিবাকিবি কৰিবই লাগিব, ক'বও লাগিব। —আমাৰ দেশত যথেষ্ট চোৰ আৰু ডকাইত আছে। সিহঁতক ধৰা পেলাব লাগিব। এতিয়া প্ৰশ্ন হ'ল— এই সমস্যাৰ সমাধান কৰোঁ কিমতে?"

সুচৰিতে এখন্তেক ভাবি লৈ ক'লে, "মহাৰাজ, মই ৰজা হোৱাহেঁতেন কিছুমান মানুহৰ দ্বাৰা মাটি খন্দালোহেঁতেন। কিয়নো সেই মাটিৰ তলত শিৱমন্দিৰ থকাৰ কথা মই জানো। সেই মন্দিৰত সোণৰ নান্দী-বিগ্ৰহ আছে বুলি প্ৰচাৰ কৰিলোহেঁতেন।"

*

কিছু দিনৰ অন্তত ৰজা চৰিতাৰ্থ আন এটা সমস্যাত সাঙোৰ খাই পৰিল।

কিছুদিনৰ অন্তত প্ৰতিবেশী মহাৰাজ সিংহভূপতিয়ে চন্দ্ৰশীলা ৰাজ্য আক্ৰমণ কৰিবলৈ প্ৰস্তুতি ল'লে।

এই সমস্যাৰ সমাধান যে কেনেকৈ

কৰা হ'ব সেই কথা ৰজা চৰিতাৰ্থৰ মগজুৰে কৈ দিব নোৱাৰিলে। তেতিয়া হঠাৎ তেওঁৰ দৃষ্টি পৰিল উদ্যানত পানী ছটিয়াই থকা সুচৰিতলৈ।

ৰজাই সুচৰিতক এই সমস্যাৰ কথা খোলোচাকৈ কোৱাৰ অন্তত সুধিলে, "কোৱা, তুমি ৰজা হোৱাহেঁতেন—এই সমস্যাৰ সমাধান কেনেকৈ কৰিলাহেঁতেন।"

ৰজাৰ প্ৰশ্নৰ উত্তৰত সুচৰিতে ক'লে, "মহাৰাজ! সিংহভূপতি হ'ল ক্ষমতামদমত্ত তথা অহংকাৰী। এই অহংকাৰেই তেওঁৰ পতনকো মাতি আনিব। আমাৰ ৰাজধানী আক্ৰমণ কৰিবলৈ হ'লে ৰাজধানীক আগুৰি থকা সুউচ্চ প্ৰাচীৰৰ ঠেক দুৱাৰেদিহে সোমাব লাগিব। গতিকে—আমাৰ সৈন্যইঁতে অস্ত্ৰ হাতত লৈ সদা-সৰ্বক্ষণ সাজু হৈ থাকিলে সিংহভূপতিয়ে মেও মেও কৰি দুই ঠেঙৰ ভিতৰত নেগুৰ সুমুৱাই পলাবলৈহে বাট বিচাৰিব।"

চৰিতাৰ্থই সুচৰিতৰ পৰামৰ্শ মতে কাম কৰাত সিংহভূপতিয়ে যুদ্ধৰ চুপতি নকৰাকৈয়েই সন্ধিৰ বগা পতকা উৰুৱালে।

সুচৰিতৰ ওপৰত ৰজাৰ চৰিতাৰ্থৰ আস্থা চাৰিগুণে চৰিল। ৰজাই এদিন সুচৰিতক ক'লে, "হেৰা সুচৰিত, মই তোমাক মোৰ প্ৰধান উপদেষ্টা তথা পৰামৰ্শ-দাতা পাতিম বুলি খাটাং কৰিলোঁ। পিছ তোমাৰ মতামতবা কেনে?"



সুচৰিতে সবিনয়ে ৰজাক ক'লে, "মহাৰাজ, যিকোন বাব ল'লে মানুহৰ ক্ষমতা সীমাৰদ্ধ হৈ পৰে। পৰামৰ্শদাতাৰ বাব লওঁ যদি—তাৰ পাছত এনেকৈ সমস্যাৰ সমাধান মই আৰু চাগৈ কৰিব নোৱাৰিম। আৰু—আৰু আন এটা কথা। মোক আপুনি আপোনাৰ প্ৰধান পৰামৰ্শ-বা উপদেষ্টাৰ পদত নিযুক্তি দিয়া বুলি শুনিলে—উচ্চ ৰাজকৰ্মচাৰীসকলৰ মাজত তথা প্ৰজাবৰ্গৰ মাজতো আপোনাৰ ভাৰ-মূৰ্তি বিনষ্ট হ'ব। এতেকে—মই যেনেকৈ আছোঁ, মোক তেনেকৈ থাকিবলৈ দিয়ক।"

সুচৰিতৰ এই কথাতো ৰজাই ভালেই পোৰা হ'ল।

এই ঘটনাৰ কিছু দিনৰ অন্তত বিধ্বংসী নামৰ বিকট ৰাক্ষস এটাই চন্দ্ৰশীলাদেশৰ সীমান্তৱৰ্তী অটব্য অৰণ্যত সোমাই তাত থাকিবলৈ আৰু বাটৰুৱাহঁতক ধৰি ধৰি খাবলৈ ধৰিলে। ৰাক্ষসটোক বধ কৰিবলৈ ৰজাই সৈন্য প্ৰেৰণ কৰিলে। কিন্তু ৰাক্ষসটোৰ এডালি নোমো লৰাব নোৱাৰি সৈন্যহঁত ব্যৰ্থ হৈ উভতি আহিল।

*

তেতিয়া ৰজাই এই সমস্যাৰ সমাধানৰ বাবে সুচৰিতক সুধিলে। ৰজাই তাক ক'লে, "তুমি এই দেশৰ ৰজা হোৱাহেঁতেন এই সমস্যাৰ সমাধান বাৰু কেনেকৈ কৰিলাহেঁতেন?" ৰজাৰ এই প্ৰশ্নৰ উত্তৰত সুচৰিতে ক'লে, "মহাৰাজ, কেৱল আলোচনা-বিলোচনা কৰি এই বিধ্বংসী ৰাক্ষসক বধ কৰা সম্ভৱ নহ'ব। মই ৰজা হোৱাহেঁতেন ৰাক্ষসটোক এইদৰেপৰাজিত কৰিলোহেঁতেন—।" এই কথা কোৱাৰ অন্তত সুচৰিতে ৰজাক এটা আঁচনিৰ কথা ক'লে।

সুচৰিতৰ আঁচনি মতে সিদিনাই ৰাতিৰ পৰতে ৰজা বিধ্বংসী থকা অৰণ্যলৈ গ'ল।

ৰজাক অৰণ্যত দেখা পাই অবাক হৈ পৰা বিধ্বংসীয়ে ক'লে, "তোমাৰ এনে

ল'ৰামতীয়া সাহস দেখি মই তৰধেই মানিছোঁ। তুমি পোনেই মোৰ আগত থিয় দিলাহিনো কেনেকৈ? তুমি কোন? তোমাৰ ইমান দুঃসাহস হ'ল কিয় কোৱাচোন বাৰু?"

"বিধ্বংসী, তুমি আগে মোক কোনো দিনে দেখা নাই, সেই দেখিহে মোক চিনি পোৱা নাই। মই এই দেশৰ ৰজা। তুমি মোৰ প্ৰজাহঁতক ধৰি ধৰি খাইছা, তাৰ ফলত প্ৰজাৰ আগতে মই হেয় হৈছোঁ। এতিয়াৰপৰা তুমি আৰু বাটৰুৱা-হঁতক ধৰি নাখাবা, মই তোমাৰ কাৰণে দিনো চাৰিজনকৈ মানুহ পঠাম।" ৰজাই বিধ্বংসীক ক'লে।

ৰজাৰ প্ৰস্তাৱ বিধ্বংসীয়ে মানি ল'লে। তাৰ পাছত ৰজাই পুনৰ ক'লে, "তোমাৰ যদি ইচ্ছা হয়, মোক সামান্য এটা সহায় কৰি দিবা। অৱশ্যে—যদি সেই সহায় কৰাৰ তোমাৰ ক্ষমতা আছে, তেহে কৰিবা। ক্ষমতা নাই যদি—নালাগে কৰিব। কথা হ'ল—এই অৰণ্যত এটা অতি গভীৰ সৰোবৰ আছে। কিছু-দিনৰ আগতে এটা চোৰে আমাৰ অন্তেষ-পুৰৰপৰা আমাৰ আৰাধ্যা দেৱীৰ সোণৰ বিগ্ৰহ চুৰি কৰি, খেদা খাই, এই অৰণ্যত সোমাই সেই সৰোবৰৰ পানীত বিগ্ৰহটি দলিয়াই পেলালে। তুমি যদি সৰোবৰৰ পানীৰপৰা আমাৰ আৰাধ্যা দেৱীৰ মূৰ্তি

নোহোৱা হ'ব। বিধ্বংসী ৰাক্ষস সদম্ভে সৰোবৰৰ পানীলৈ জঁপিয়াই পৰিল. আৰু—আৰু উঠি আহিব নোৱাৰিলে।

*

অৰণ্যৰপৰা উভতি অহাৰ পাছত ৰজাই সুচৰিতক হিয়া উবুৰিয়াই শলাগিলে আৰু ক'লে, "সুচৰিত, মই পৰিপূৰ্ণ ৰাজসভাত তোমাৰ বুদ্ধিৰ শলাগ ল'ম।"

সুচৰিতে ক'লে. "মহাৰাজ, এই কামটি নকৰিব। তেতিয়া মোৰ অহংকাৰ বাঢ়ি যাব আৰু মই কোনো বিষয় সহজ-সৰলভাৱে চিন্তা কৰিব নোৱৰা হৈ পৰিম। —মই যেনেকৈ আছোঁ মোক আপুনি তেনেকৈয়েই থাকিবলৈ দিয়ক।"

*

এই ঘটনাৰ কিছু দিনৰ পাছত ৰজাই ৰাজকৰ্মচাৰীহঁতৰ মাজত ভেটি খোৱাৰ প্ৰৱণতাৰ কথা শুনি পুনৰ এই বিষয়ে সুচৰিতক ক'লে আৰু সুধিলে, "তুমি ৰজা হোৱাহেঁতেন কি কৰিলাহেঁতেন?"

সুচৰিতে ক'লে, "মহাৰাজ, মোৰ পক্ষে ৰজা হোৱাটো পৰ্বতত কাছকণী পোৱাতকৈয়ো অসম্ভৱ। আমাৰ চতুৰ্দশ পুৰুষতো কোনো ৰজা হোৱা নাছিল। ৰজা এগৰাকীয়ে নিজস্ব চিন্তা কৰিৰপৰা হ'ব লাগে, সেই গুণ আমাৰ দৰে হোলাৰ

উদ্ধাৰ কৰি দিব পাৰা, যদি তোমাৰ ক্ষমতা আছে এই কামটি কৰাৰ. মই ওৰে জীৱনলৈ তোমাৰ ওচৰত নিশ্চয়েই ধৰুৱা হৈ থাকিম।"

বিধ্বংসীয়ে ক'লে. "কিনো ইমান ডাঙৰ কাম? এতিয়াই কামটো কৰি দিম। ক'ত সেই সৰোবৰ. দেখুৱাই দিয়া।"

ৰজা আৰু ৰাক্ষস তেতিয়া সেই সৰোবৰলৈ গ'ল। এই সৰোবৰৰ তলি আছিল এঠালতীয়া বোকাৰে ভৰ্তি আৰু তাত ভয়ংকৰ পাতালৰ দৰে গাঁত আছিল। এই গাঁতত কেনেবাকৈ পৰিলে—মানুহৰ কথা বাদেই—ৰাক্ষসৰো উঠি অহাৰ উপায়

ভাই মোলাহঁতৰ থাকিব নোৱাৰে।"

হঠাৎ ৰজাৰ উগ্ৰ খং উঠিল আৰু আৰু তেওঁ ক'লে, "সুচৰিত, তোমাৰ কথাৰ ছেও মই একেবাৰে ভাল পোৱা নাই। তোমাক মই মোৰ কামৰপৰা এই মুহূৰ্ত্তৰেপৰাই বৰ্খাস্ত কৰিলোঁ।"

*

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক পুনৰ ক'লে, "হে ৰজা, যিজন সুচৰিতে ৰজা চৰিতাৰ্থক প্ৰতিটো সমস্যাৰ বিষয়ে সুপৰামৰ্শ দিছিল, সেই জন সুচৰিতেই ৰাজকৰ্মচাৰীহঁতে ঘোচ খোৱাৰ বিষয়ত ৰজাক পৰামৰ্শ নিদিয়া হ'ল কিয়? মোৰ এই উত্তৰ জনা সত্বেও যদি সঠিকৈ নিদিয়া তেনেহ'লে তোমাৰ মূৰৰ ওপৰত এতিয়াও সাতচৰি পানী আছে বুলি নিশ্চয় জানি থ'বা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যাই ক'লে, "সুচৰিতে এই কথাটো ফটফটীয়াকৈ বুজি পাইছিল যে সি তাত থকালৈকে ৰজাই তেওঁৰ সমস্যাৰ বিষয়ে কেতিয়াও নিজাকৈ একো নাভাবিব। কৰ্মচাৰীহঁতৰ ঘোচ খোৱাৰ সমস্যাত পৰামৰ্শ নিদিলে যে ৰজাৰ খং উঠিব, সেই কথা সুচৰিতে বঢ়িয়াকৈয়েই জানিছিল। কিন্তু প্ৰতিটো কথাত তথা সমস্যাত এগৰাকী ৰজাই আনৰ ওচৰত নিৰ্ভৰ কৰাটো সুচৰিতেও একেবাৰে ভাল নাপাইছিল। এগৰাকী পৰনিৰ্ভৰশীল ৰজাৰ অধীনত কাম কৰা বাবে সুচৰিতৰ মনত খেদ আছিল বুলিয়েই ৰজাক তেনেকৈ কৈছিল। সুচৰিতে জানিছিল যে—একিল খালেহে এবুধি চাপে। এইদৰে ঠেকি শিকাটো ৰজাৰ পক্ষে ভাল হ'ব বুলি সুচৰিতে ভাবিছিল।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



নামে আৰু কামে

নকলী চাবি বনোৱাত নকুল আছিল ওস্তাদৰো ওস্তাদ। এদিন হালোৱা হৰকান্তই নকুলক এপাত চাবি দেখুৱাই ক'লে, "হেঁা, এনকুৱা চাবি এপাত বনাই দিয়াচোন।" নকুলে হৰকান্তক পাছদিনা আহিবলৈ ক'লে।

পাছদিনা নকুলে হৰকান্তক দুপাত চাবি দিলে।

হৰকান্তই সেই চাবি দুপাতলৈ চাই লাহেকৈ ক'লে, "এই চাবি—ভাল হৈছেনে বাৰু ?"

নকুলে হৰকান্তক ক'লে, "মোৰ কামৰ কথা আপুনি জানেই। মই নিজ হাতেৰে বনোৱা চাবি যে কেনে ধৰণৰ হ'ব—তাকো জানে নিশ্চয়।"

নকুলৰ কথা শুনি হৰকান্তই ক'লে, "হয়, জানো। আৰু—জানো বুলিয়েইহে দুনাই তোমাৰ ওচৰলৈ আহিবলগা হ'লোঁ। আগৰবাৰ বনাই দিয়া চাবিপাত কোনো কামত নাহিল বুলিয়েই আকৌ বনাবলগীয়া হ'লোঁ। তুমি নামে-কামে একেই দেখিছোঁ।" হৰকান্তই ক'লে।

ওস্তাদে দাৰ্শনিকৰ ভাও জুৰি শূন্যলৈ চাই বহি থাকিল।



আমাৰ দেশৰ বিচিত্ৰ কথা

ফতেহ্‌পুৰ-ছিক্ৰি

আগ্ৰাৰপৰা চল্লিছ কিল'মিটাৰ দূৰৈত পাহাৰৰ ওপৰত এটা ধুনীয়া দুৰ্গ আছে। এই দুৰ্গটো সম্ৰাট আকবৰে সজাইছিল; কিন্তু নিৰ্মাণৰ কিছু কালৰ অন্তত এই দুৰ্গটো পৰিত্যক্ত হৈছিল।



সম্ৰাট আকবৰ আছিল নিঃসন্তান। সেই বাবে তেওঁৰ মনত সদায় দুখ। তেতিয়াৰ দিনত শ্বেখ ছলিম চিস্তি নামৰ এগৰাকী ফকীৰৰ আছিল বিৰাট নাম-ডাক। ফকীৰৰ অসাধাৰণ ক্ষমতাৰ কথা শুনি সম্ৰাট আকবৰ ফকীৰৰ কাষ চাপিছিল আৰু ফকীৰেও তেওঁৰ বাসনা পূৰণৰ বাবে আকবৰক আশীৰ্বাদ কৰিছিল।

এই ঘটনাৰ কিছুকালৰ অন্তত আকবৰৰ পত্নী সতীমণিৰ এটি ধুনীয়াৰো ধুনীয়া পুত্ৰ উপজিল। এই ফকীৰৰ প্ৰতি ভক্তি প্ৰদৰ্শনাৰ্থে আকবৰে পুত্ৰটিৰ নামকৰণ কৰিলে 'ছলিম'। এই ছলিমেই পৰৱৰ্তীকালত জাহাংগীৰ নাম লৈছিল।





ফকীৰ ছলিমৰ ওচৰে-পাজৰে থকাৰ মন গ'ল সম্ৰাট আকবৰৰ। সেই বাবে তেওঁ তেওঁৰ ৰাজধানী আগ্ৰাৰপৰা ফতেহপুৰ ছিক্ৰিলৈ লৈ যোৱাৰ সংকল্প কৰিছিল আৰু তাৰ বাবেহে আকবৰে ফতেহপুৰ ছিক্ৰিত দুৰ্গ নিৰ্মাণ কৰিছিল।

ছিক্রিৰপৰা ১৫৭৩ চনত সম্ৰাট আকবৰে গুজৰাট আক্ৰমণ কৰিছিল আৰু গুজৰাট বিজয়ৰ চিনস্বৰূপে আকবৰে ছিক্রিৰ নাম দিলে 'ফতেহ্ পুৰ'। 'ফতেহ্ শ'ব্দৰ অৰ্থ হ'ল—'বিজয়' অৰ্থাৎ 'বিজয়পুৰ'।





সম্ৰাট আকবৰে এই দুৰ্গত প্ৰায় পোন্ধৰ বছৰ অতিবাহিত কৰিছিল। তেওঁ তেওঁৰ মন্ত্ৰী তথা বন্ধু বীৰবলৰ সৈতে ইয়াত সুখী জীৱন যাপন কৰিছিল। তেতিয়া সম্ৰাট আকবৰৰ ৰাজসভাত সংগীত-সম্ৰাট তানসেনও আছিল।

কিন্তু বৰ বেছিদিনলৈ আকবৰে এই সুখ ভোগ কৰিব নোৱাৰিলে। কিয়নো, তাত পানীৰ বৰ অভাৱ হ'ল। খোৱা-পানীৰ অভাৱত প্ৰজাবৰ্গৰ মাজত কিছুমানৰ আনকি মৃত্যু হ'ল। বহু চেষ্টাতো যেতিয়া পানীৰ অভাৱ নুগুচিল তেতিয়া আকবৰে বাধ্যত পৰি ফতেহপুৰ ছিক্রি পৰিত্যাগ কৰি গুচি গ'ল।



ভূমিৰপৰা ১৭৬ ফুট আৰু ভেটিৰপৰা ১৩৪ ফুট ওখ সিংহদ্বাৰ ‘বুলন্দ দৰওৱাজা’ নামেৰে খ্যাত আছিল। পাথৰেৰে নিৰ্মিত এই বিশাল দুৱাৰ আজিও অতি আকৰ্ষণীয় হৈ আছে।

এই দুৰ্গত **‘হাওৱা মহল’** আছে। এই ‘হাওৱা মহল’ৰ বৈশিষ্ট্য হ’ল এয়ে যে ইয়াত সদা-সৰ্বক্ষণ জুৰ বা বলি থাকে। অন্তেষপুৰৰ মহিলাসকলে সদা-সৰ্বক্ষণ এই স্নিগ্ধ বায়ু উপভোগ কৰিব পাৰিছিল।





সম্ৰাট আকবৰে পৰিত্যাগ কৰি গুচি যোৱা এই দুৰ্গ কালক্ৰমে ধ্বংস হ’বলৈ ধৰিলে। এই অনুপম দুৰ্গৰ সৌন্দৰ্য্য ভালেখিনি নষ্ট হ’ল। কিন্তু সদহ্যাতে, আজিও এই দুৰ্গৰ অপৰিমেয় আকৰ্ষণৰ কথা বিবেচনা কৰি, দুৰ্গৰ সংস্কাৰ সাধনৰ ব্যৱস্থা হাতত লোৱা হৈছে।

মৰমৰ বন্দী

নিপ্পন বা জাপানদেশৰপৰা বহু দূৰৰ এঠাইত আছিল শহাপহুৰ ৰাজ্য। তাত নানান ধৰণৰ বিধোবিধ বৰণৰ কিম্মান যে শহা! কিন্তু হাজাৰ-বিজাৰ শহাৰ মাজত বগা শহা মাত্র এটা। এই ধকধক কৰে বগা শহীটোৱে সাগৰৰ উত্তৰ সীমাৰ বালিৰ ওপৰত শুই শুই সাগৰৰ সিপাৰৰ দেশ নিপ্পন বা জাপানদেশৰ পিনে চাই চাই ভাবিছিল তালৈ এটিবাৰ যোৱাৰ উপায়। কিন্তু ইপাৰ-সিপাৰৰ মাজত যে সাগৰ। যায়নো কেনেকৈ?

বগা শহাটোৰ এই ইচ্ছা হৈছিল কুম্ভীৰৰ চলন ফুৰণ দেখি। কুম্ভীৰটোৱে প্ৰায়েই ইপাৰৰপৰা সিপাৰলৈ গৈছিল, জাপানদেশৰ কত যে অজান কথা সি কৈছিলহি বগা শহাক! কৈছিল জাপান-দেশত মানুহ নামৰ এবিধ প্ৰাণী আছে, এইবোৰ প্ৰাণীয়ে সিহঁতৰ পিছঠেঙেৰে খোজ কাঢ়ে, আৰু আগ ঠেঙেৰে নানান ৰকমৰ কাম-আকাম কৰে। সিহঁতৰ এটা ৰজা আছে, আৰু আছে দেখাত ধুনীয়াৰো ধুনীয়া—চালে চকু বৈ যোৱা ৰাজকুঁৱৰী। ৰাজকুঁৱৰীৰ চুলিটাৰি আউসীৰ এন্ধাৰৰ দৰে নিমজ ক'লা, কিন্তু গা জোনৰ পোহৰহেন মনোৰম। আৰু যে কত কি!

এদিন কুম্ভীৰে বগা শহাক কথাই কথাই ক'লে যে, জাপানদেশৰ ৰাজকুঁৱৰীক বিয়া কৰাবলৈ কত যে দেশৰপৰা কত্ত ডেকাল'ৰা আহিছিল; কিন্তু ৰাজকুঁৱৰীৰ মনেখোৱা এজনো নোলাল। আন এদিন কুম্ভীৰে বগা শহাক ক'লে যে—বহু দূৰদেশৰপৰা পাঁচ গৰাকী ৰাজকোঁৱৰ

আহিব জাপানদেশৰ ৰাজকুঁৱৰীক বিয়া কৰাবলৈ। এই কোঁৱৰহঁতৰ মাজৰপৰা এজনক ৰাজকুঁৱৰীয়ে নিশ্চয় বিয়া কৰাব।

কুম্ভীৰৰ মুখত এই কথা শুনি জাপানদেশৰ সেই ৰাজকুঁৱৰীনো দেখাত কেনে—কুম্ভীৰৰ মুখে নুশুনি নিজ চকুৰে চাবলৈ মন গ'ল বগা শহাৰ। বগা শহাই কুম্ভীৰক ক'লে, "মামা, মোক যদি তুমি তোমাৰ পিঠিত উঠাই সিপাৰলৈ লৈ যোৱা তেনেহ'লে মই তোমাৰ নিকিনা গোলাম হৈ থাকিম।"

কুম্ভীৰমামাই অলপ বিমোৰত পৰা যেন হ'ল আৰু ক'লে, "কিন্তু তোমাক লৈ গ'লেই আন শহাবিলাকবো উনৈছত বা বলিব। সিহঁতকো যদি সিপাৰলৈ লৈ নাযাওঁ, তেতিয়া সাগৰৰ এই পাৰলৈ অহাৰ মোৰ আধ্যা। তোমালোকৰ এই পাৰৰ বালি বৰ লৰণু-কোমল। কোমল বালিৰ ওপৰত টোপনিয়াই কি যে আৰাম পাওঁ! তোমাক লৈ গ'লেই মোৰ এই আৰাম হাৰাম হৈ যাব।"

তথাপি, বগা শহাই চুলি ছিঙি কাতৰ কৰাত কুম্ভীৰ মামাই আৰু 'না' কৰিব নোৱাৰিলে, আৰু এদিন পিঠিত উঠাই বগাশহাক সিপাৰলৈ লৈ গ'ল।

ইপাৰৰ মাটিৰ বৰণ ক'লা আৰু শিলেৰে ভৰা। বগাশহাক তাতে এৰি থৈ কুম্ভীৰ গ'লগৈ, আৰু পাছ মুহূৰ্ততে শহাটোক **কুকুৰ** এটাই খেদি আহি কামুৰি তেজ উলিয়াই দিলে। বগাশহাই লৰৰি পলাল হয়, কিন্তু সিপাৰৰপৰা মায়া মায়া সপোন সপোন যেন লগা ইপাৰলৈ অহাটো যে কিমান ভুল হ'ল—তাকো যন্ত্ৰণাৰে সৈতে উপলব্ধি কৰিলে।

বগা শহাটো এখন দলঙৰ ওপৰত বহি আছিল। অলপ পাছত ঘোঁৰাৰ **খুৰাৰ** শব্দ উঠিল আৰু পাছ মুহূৰ্তত চাৰিটা ঘোঁৰাৰ পিঠিত চাৰিজন মানুহক দেখা পাই শহাই ভাবিলে: ইহঁতকেটাই

কিজানি ৰাজকোঁৱৰ হ'ব।

বগা শহাই তাৰ জীৱনত এয়ে পোন-বাৰৰ বাবে মানুহ দেখা পালে। বগা শহাই তাকো লগত লৈ যাবলৈ মানুহ চাৰিজনক অনুৰোধ কৰিলে।

কিন্তু সিহঁতে বগা শহাক লগত নিনিয়া হ'ল। সিহঁতৰ মাজত এজনে বগা শহাক ইতিকিং কৰি ক'লে, "এ—তোমাৰ গাত ঘা থকা দেখি ৰাজকুঁৱৰীয়ে বৰ ভাল পাব, তালৈ নোযোৱা কেলে'? যোৱা-যোৱা—সাগৰত গা ধুই বালিৰ ওপৰত লুটি-বাগৰ খালেই ঘা ভাল হৈ যাব।"

সিহঁতৰ কথা মতে সাগৰৰ পানীত গা ধোৱাত বগা শহাৰ সৰ্বদেহ জুইৰ দৰে জ্বলি থাকিল। তাৰ পাছত বালিত লুটি-বাগৰ খোৱাত সি একেবাৰে কটা ঘাত চেঙা তেল দিয়া যেন পালে। অসহ্য যন্ত্ৰণাৰে চাটিফুটি কৰি থাকোঁতে বগা শহাই ভাবি থাকিল ঃ এইবোৰ মানুহতকৈ দেখোন কুকুৰেই ভাল!

অলপ সময়ৰ অন্তত সেই দলংখনৰ ওপৰত আন এজন মানুহ আহিল। মানুহজনে আহত বগা শহাটোক লাহেকৈ হাতেৰে দাঙি লৈ ক'লে, "এস্! এই বেচাৰাৰ কেনে অৱস্থা!"

এই কথা শুনি বগা শহাই মৰমতে পমি গ'ল। বগাশহাই তাৰ বৃত্তান্ত মানুহজনক ভাঙি-পাতি ক'লে। শহাৰ কথা শুনাৰ অন্তত এই মানুহজনে ক'লে যে, অলপ সময়ৰ আগতে ঘোঁৰাৰ পিঠিত উঠি গৈ থকা মানুহ চাৰিটা তেওঁৰে ককায়েক। তেওঁ হ'ল সৰু। আটাইকেইজনেই ৰাজকোঁৱৰ। তেৱোঁ। পিছে—তেওঁ তেওঁৰ ককায়েককেইজনৰ আলধৰা হৈহে ইয়ালৈ আহিছে।

"তুমি ৰাজকুঁৱৰীক বিয়া নকৰাবা কিয়? মোক কুন্তীৰ মামাই কৈছে—জাপানদেশৰ ৰাজকুঁৱৰীৰ মান ধুনীয়া জনমটো পাত কৰিলেও আন ক'তো

বিচাৰি নোপোৱা।” বগা শহাই ক'লে।

সৰু ৰাজকোঁৱৰে বগা শহাটোৰ ঘাড়োখৰ ভালকৈ চাফা কৰি দৰব লগাই দিলে আৰু ক'লে, “তুমি ইয়াতে জিৰণি লৈ থাকা। মই এই বয়-বস্তুখিনি মোৰ ককাইদেউহঁতক দি থৈ আহোঁগৈ। তাৰ পাছত তোমাক মই জাপানদেশৰ ৰাজকুঁৱৰীৰ ওচৰলৈ লৈ যাম।”

সৰু ৰাজকোঁৱৰ পুনৰ যেতিয়া দলং পালেহি, তেতিয়া বগা শহা টোপনিৰ জালত আচ্ছন্ন। আৰু তিমানতে তাৰ ঘাড়োখৰত নোমো গজিল।

ইতিমধ্যে সৰু ৰাজকোঁৱৰৰ ককায়েক চাৰিজনক ৰাজকুঁৱৰীয়ে বাতিল কৰাৰ বাতৰি বিয়পি পৰিল। আৰু ঠিক তেতিয়াই বগা শহাটোৰে লৈতে সৰু ৰাজকোঁৱৰ তাত পুনৰ উপস্থিত হ'লগৈ।

জাপানদেশৰ ৰাজপ্ৰাসাদৰ দুৱৰীয়ে ৰাজকুঁৱৰীক ক'লেগৈ এটা বগা শহাপহুৰে সৈতে কোনোবা এজন ৰাজকোঁৱৰ অহাৰ কথা। ৰাজকুঁৱৰীয়ে কৈ উঠিল, “এতিয়াই —এই মুহূৰ্ততে লৈ আহাঁ ইয়ালৈ। বগা শহা দেখাৰ মোৰ যে কিমান দিনৰ ইচ্ছা!”

বগা শহাটিক লৈ সৰু ৰাজকোঁৱৰ জাপানদেশৰ ৰাজকুঁৱৰীৰ আগত উপস্থিত হ'ল আৰু লগে লগে ৰাজকুঁৱৰীয়ে শহাটোক আঁকোৱালি ল'লে।

বগা শহাটিয়ে তাৰ বৃত্তান্ত ৰাজকুঁৱৰীক সবিস্তাৰে কোৱাৰ অন্তত মন্তব্য কৰিলে যে এই সৰু ৰাজকোঁৱৰৰ তুল্য মানুহ কিজানি জগতখনতো নাই। এওঁ মাথোন ৰাজকোঁৱৰেই নহয়, উদাৰতা, কোমলতা আৰু মৰম-ভালপোৱাৰো এওঁৱেই ৰজা।

বগা শহাৰ কথা শুনি ৰাজকুঁৱৰীয়ে নিৰ্দ্বিধাই সৰু ৰাজকোঁৱৰক বিয়া কৰালে। তাৰ পাছত বগা শহা আৰু নিজ ঠাইলৈ উভতি নোযোৱা হ'ল। মৰমৰ বন্দী হৈ তাতে থাকি গ'ল।

উত্তৰ-ৰামায়ণ

১৩

ৰামচন্দ্ৰ-অনুষ্ঠিত অশ্বমেধ যজ্ঞত সশিষ্য বাল্মীকিও যজ্ঞস্থলত উপস্থিত আছিল। ঋষি বাল্মীকিৰ কাৰণে আছুতীয়াকৈ পৰ্ণকুটীৰ এখন সজা হৈছিল। যজ্ঞস্থল আহি পোৱাৰ পাছত বাল্মীকিয়ে তেওঁৰ শিষ্যসকলক কৈছিল, "তোমালোকে ইচ্ছামতে য'তে ত'তে ৰামায়ণ গান গাই ফুৰিব পাৰা।" তাৰ পাছত বাল্মীকিয়ে লৱ-কুশক ক'লে, "তোমালোকক যদি কোনোবাই সোধে যে তোমালোক কাৰ পুত্ৰ—তোমালোকে তাৰ উত্তৰত মাত্ৰ ইমানকে ক'বা যে 'আমি বাল্মীকিৰ শিষ্য'। ৰামায়ণ গান গোৱাৰ বাবে তোমালোকক অৰ্থাদিৰে প্ৰলুব্ধ কৰা হ'ব পাৰে, কিন্তু ৰামায়ণ গাই কেতিয়াও অৰ্থাদি গ্ৰহণ নকৰিবা। স্বয়ং শ্ৰীৰামচন্দ্ৰই মতাই পঠিয়ালে তোমালোকে তেওঁৰ আগতো ৰামায়ণ-গান গাবা আৰু ৰামচন্দ্ৰ যিহেতু ৰজা, সিহেতুকে, তেওঁৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিবা।"

"যথা আজ্ঞা, ককা।" এই বুলি কৈ, পৰ্ণকুটীৰ এৰি, লৱ-কুশ ওলাল।

লৱ-কুশে গোৱা ৰামায়ণ গান শুনি সকলোটিয়েই পৰম আনন্দ লভিছিল। লৱ-কুশৰ এই ৰামায়ণ-গানৰ কথা ৰামচন্দ্ৰৰ কাণতো পৰিল। ৰামচন্দ্ৰই লৱ-কুশক মতাই পঠিয়ালে আৰু বিৰাট সভাৰ মাজত সিহঁত দুজনক গীত গাবলৈ ক'লে।

'শম্বুক-বধ'

এই সভাত বিখ্যাত বিখ্যাত ঋষি, ৰজা, পণ্ডিত, নৃত্যশিল্পী, নাট্যশিল্পী, অনেক সংগীত-শিল্পী আৰু বিশিষ্ট ভদ্ৰজন আছিল।

লৱ-কুশে ৰামায়ণৰ একুৰি পৰ্ব গালে।

ৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "এই বালকদ্বয়ক ওঠৰ সহস্ৰ স্বৰ্ণ মুদ্ৰা দিয়া।"

লক্ষ্মণে ওঠৰ হাজাৰ স্বৰ্ণমুদ্ৰা একেলগে নিদিয়াকৈ অলপ অলপকৈ দিবলৈ ধৰাত লৱ-কুশে লক্ষ্মণক ক'লে, "ইমান স্বৰ্ণমুদ্ৰাৰে আমি কি কৰিম? আমি অৰণ্যত থাকোঁ, অৰণ্যৰ ফল-মূল খায়েই আমাৰ চলি যায়।"

সিহঁতৰ কথা শুনি বিস্মিত হৈ শ্ৰীৰামচন্দ্ৰই সিহঁতক সুধিলে, "হে বালকদ্বয়! তোমালোকৰ এই ৰামায়ণ মালিতা শেষ হওঁতে কিমান দিন লাগিব? এই মহাকাব্য কোনে ৰচনা কৰিলে?"

"এই গীত শেষ হোৱাত বহুদিন সময়ৰ আৱশ্যক হ'ব। এই মহাকাব্যৰ ৰচক হ'ল মহৰ্ষি বাল্মীকি। তেৰোঁ যজ্ঞথলীত উপস্থিত আছে। আমাৰ গীত শুনি আপুনি যদি ভাল পাইছে, তেনেহ'লে প্ৰতিদিনেই আপোনাক গীত গাই শুনাব পাৰোঁ।" লৱ-কুশে ৰামচন্দ্ৰক ক'লে।

এই প্ৰস্তাৱত ৰামচন্দ্ৰ সানন্দে সন্মত হ'ল। তাৰ পাছত, লৱ-কুশে প্ৰতিদিনেই শ্ৰীৰামচন্দ্ৰৰ আগত' বিৰাট সমাৱেশত ৰামায়ণ-গান গাই শুনাবলৈ ধৰিলে। কেইদিনমান অতিবাহিত হোৱাৰ অন্তত সকলোটিয়েই বুজি পালে যে এই ল'ৰা দুটি সীতাৰ গৰ্ভজাত পুত্ৰ।

শ্ৰীৰামচন্দ্ৰই নিজৰ কটকীহঁতক মতাই অনাই ক'লে, "তোমালোকে মহৰ্ষি বাল্মীকিক কোৱাগৈ যে সীতাক ইয়ালৈ অনাই নিজৰ পৱিত্ৰতা প্ৰমাণ কৰিব পৰাৰ বাবে মই তেওঁৰপৰা অনুমতি প্ৰাৰ্থনা কৰিছোঁ। তেওঁৰ অনুমতি বিনে সীতা নিশ্চয় ইয়ালৈ আহিব নোৱাৰিব।"

কটকীহঁতৰ মুখে এই বাৰ্তা শুনি মহৰ্ষি বাল্মীকিয়ে কটকীহঁতক ক'লে,

"ৰামচন্দ্ৰৰ অভিপ্ৰায় অনুযায়ী সীতা ইয়ালৈ অৱশ্যেই আহিব আৰু নিজৰ পৱিত্ৰতা নিশ্চয় প্ৰমাণিত কৰিব।"

কটকীহঁতৰপৰা বাল্মীকিৰ বক্তব্য শুনাৰ অন্তত শ্ৰীৰামচন্দ্ৰই এই বক্তব্যৰ কথা যজ্ঞথলীত উপস্থিত থকা ঋষি, ৰাক্ষস, বানৰ আৰু বিভিন্ন দেশৰপৰা যজ্ঞথলীলৈ অহা প্ৰতিগৰাকী সন্মানিত ব্যক্তিক অনুষ্ঠানত উপস্থিত থাকিবলৈ অনুৰোধ জ্ঞাপন কৰিলে।

নিৰ্দিষ্ট দিৱসত, নিৰ্দিষ্ট সময়ত, বাল্মীকিৰ পিছে পিছে দুঃখিনী সীতা তাত উপস্থিত হ'লহি। সীতাৰ শীৰ্ণ দেহা আৰু জীৰ্ণ দশা দেখি সকলোটি মৰ্মাহত হৈ পৰিল।

মহৰ্ষি বাল্মীকিয়ে শ্ৰীৰামচন্দ্ৰক ক'লে, "হে ৰামচন্দ্ৰ! সীতাৰ নিচিনা পৱিত্ৰ শান্ত গৃহিণী দুৰ্লভ। সীতা ধৰ্মত অটল। লোকনিন্দাৰ ভয়তে সীতা মোৰ আশ্ৰমত পৰিত্যক্তা অৱস্থাত আছিল। যি কি নহওক, আজি সীতাই নিজৰ পৱিত্ৰতাৰ বিষয়ে তোমাৰ সন্মুখত শপত-বাণী উচ্চাৰণ কৰিব। এই বালকদ্বয় হ'ল সীতাৰ পুত্ৰ। মই কোনো দিনেই মিথ্যা কোৱা নাই। হে ৰাম, এই বালকদ্বয় তোমাৰেই পুত্ৰ। মোৰ আশ্ৰমত এই বালকদ্বয় জন্মগ্ৰহণ কৰিছিল আৰু পাছত মই কঠোৰ তপস্যাত মগ্ন হৈ সুফল প্ৰাপ্ত হৈছোঁ। সীতা অপৱিত্ৰা হোৱাহেঁতেন, মই এনে সুফল নিশ্চয়েই প্ৰাপ্ত নহ'লো-হেঁতেন। আৰু সীতাৰ পৱিত্ৰতাত তুমিও যে নিঃসন্দেহ, মই সেই কথাটিও জানো।"

শ্ৰীৰামচন্দ্ৰই বাল্মীকিক প্ৰণাম কৰি ক'লে, "হে মহৰ্ষি, আপোনাৰ কথা ধ্ৰুৱ সত্য। লংকাত স্বয়ং অগ্নিদেৱে সীতাৰ পৱিত্ৰতাৰ কথা কৈছিল, আৰু ময়ো সীতাক সেই কথামতে লংকাৰপৰা লৈ আহিছিলোঁ অযোধ্যাপুৰীলৈ। এই বালকদ্বয় যে মোৰেই সন্তান—সেই কথাতো মোৰ মনত কণমাত্ৰ সন্দেহ নাই।



তথাপি, প্ৰজাপালক হিচাপে কওঁ, সীতাই ইয়াত, এই সমাৱেশত যদি নিজৰ পৱিত্ৰতাৰ বিষয়ে শপত খায়, মই সানন্দে সীতাক পুনৰবাৰ গ্ৰহণ কৰিম।”

ৰামচন্দ্ৰৰ কথাৰ উত্তৰত জনমতুখিনী সীতাই তলমূৰ হৈ ক'লে, “মোৰ অন্তৰত যদি মোৰ স্বামীৰ অবিহনে আন কোনো পুৰুষৰ চিন্তাও নাই, হে ভূদেৱী, তুমি মোক তোমাৰ কোলাত ঠাই দিয়া।”

তৎক্ষণাৎ ভূদেৱী অৰ্থাৎ ধৰিত্ৰী দ্বিধাবিভক্ত হ'ল, আৰু সমুজ্জ্বল সিংহাসন কঢ়িয়াই লৈ ছুগৰাকী নাগকোঁৱৰ পাতাল ফালি ওলাই আহিল আৰু সীতাদেৱীক সেই সিংহাসনত বহুৱাই লৈ পুনৰ সীতাদেৱীৰে সৈতে পাতাললোকলৈ গুচি গ'ল।

এনেহেন অভাৱিত ঘটনাত তাত থকা সকলোটি নিৰ্বাক হৈ পৰিল। আৰু সীতাৰ পাতাল প্ৰবেশৰ পাছ মুহূৰ্তত অসংখ্য মানুহ আৰু বানৰো ক্ৰন্দনমুখৰ হ'ল।

বহু সময়ৰ অন্তত ৰামচন্দ্ৰই ক'লে, “মই জীৱনতো ইমান যাতনা অনুভৱ কৰা নাই। হে ভূদেৱী, সীতাক লৈ যোৱাৰ দৰে মোকো লৈ যোৱা!”

কিন্তু ভূদেৱীৰপৰা নাপাই সঁহাৰি ক্ৰুদ্ধ-ক্ষুব্ধ-শোকাৰ্ত ৰামচন্দ্ৰই চিঞৰি কৈ উঠিল, “কোন আছ ইয়াত, মোৰ ধনু-কাঁড় আনি দে মোক, মই এতিয়াই ভূদেৱীক কাঁড়েৰে ছিৰাছিৰ কৰি পেলাম!”

তেতিয়া সকলোটি আগুৱাই আহিল আৰু ক্ৰুদ্ধ-ক্ষুব্ধ বেদনাৰ্ত ৰামচন্দ্ৰক বুজনি দিবলৈ ধৰিলে।

বাল্মীকি পৰ্ণকুটীৰলৈ উভতি গ'ল আৰু লগত লৱ-কুশকো লৈ গ'ল।

পাছদিনা পুনৰ লৱ-কুশৰ ৰামায়ণ-গান অনুষ্ঠিত হ'ল আৰু তাৰ পাছত যজ্ঞৰ সামৰণি পৰিল। যজ্ঞত যিসকলে যোগদান কৰিছিল, ৰামচন্দ্ৰই প্ৰত্যেককে যথোচিত দান কৰিলে। পৰৱৰ্তীকালত ৰামচন্দ্ৰই সীতাৰ স্বৰ্ণমূৰ্তি স্থাপন কৰি অনেক অশ্বমেধ

যজ্ঞ আৰু বাজপেয় যজ্ঞ সমাপন কৰিছিল। শ্ৰীৰামচন্দ্ৰই সীতাৰ স্বৰ্ণমূৰ্তিক সদায় নিজৰ কাষত ৰাখিছিল। ৰামচন্দ্ৰৰ শাসনকালত প্ৰজাবৰ্গ সুখী আছিল, সমৃদ্ধ আছিল।

কিছুকালৰ অন্তত কৌশল্যা, সুমিত্ৰা আৰু কৈকেয়ী স্বৰ্গী হ'ল। ৰামচন্দ্ৰই যথেষ্ট গুৰুত্বৰে তেওঁলোকৰ অন্তিম ক্ৰিয়াদি সমাপন কৰিলে।

বহুদিনৰ অন্তত কৈকেয়ীৰ ককায়েক যোদ্ধাজিৎ ৰামচন্দ্ৰৰ ওচৰলৈ আহিল। যুধাজিতে প্ৰেৰণ কৰা গাৰ্গ্যই দহ সহস্ৰ অশ্ব লগত লৈ অযোধ্যালৈ আহি ৰামচন্দ্ৰক ক'লে, "হে ৰামচন্দ্ৰক! মোমাইদেৰে আপোনাক এটা কথা ক'বলৈ মোক আদেশ কৰিছে। সিন্ধু নদৰ দুই তীৰতে গন্ধৰ্বসকলৰ দেশ। তাত থকা শৈলুষবংশজাত গন্ধৰ্ব সংখ্যাত তিনিকৌটি। আপুনি সিহঁতক যুদ্ধত পৰাজিত কৰক—আমাৰ মোমাইদেউৰ এয়ে ইচ্ছা।"

ৰামচন্দ্ৰই ক'লে, "উত্তম কথা, ভৰতৰ পুত্ৰ তক্ষ আৰু পুষ্কল আৰু লগতে ভৰত আৰু তাৰ সৈন্যবাহিনী গন্ধৰ্ব দেশলৈ যাব আৰু গন্ধৰ্বদেশ অধিকাৰ কৰি দুভাগত ভগাই তক্ষ আৰু পুষ্কলক ৰজা পতা হ'ব।"

ৰামচন্দ্ৰৰ নিৰ্দেশমতে ভৰতে বিৰাট সেনাবাহিনী লগত লৈ, এপথৰ অন্তত

কেকয় দেশ পাই যুধাজিতক লগ কৰিলে আৰু পাছত যুধাজিকো লগত লৈ গন্ধৰ্বদেশ আক্ৰমণ কৰিলেগৈ। তাৰ পাছত, গন্ধৰ্বদেশ অধিকাৰ কৰি, দুভাগত ভগাই, তক্ষ-ক এভাগৰ অৰ্থাৎ তক্ষশীলাৰ আৰু পুষ্কলাৱতী নামৰ আন এভাগৰ ৰজা পতা হ'ল পুষ্কলক। তাত পাঁচ বছৰ অতিবাহিত কৰাৰ অন্তত ভৰত পুনৰ অযোধ্যালৈ উভতি গ'ল।

তাৰ পাছত লক্ষ্মণৰ দুই পুত্ৰ অংগদ আৰু চন্দ্ৰকেতুক যথাক্ৰমে কাৰুপথদেশৰ আৰু চন্দ্ৰকান্তদেশৰ ৰজা পথা হ'ল।

এইবোৰ ঘটনাৰ কিছুকালৰ অন্তত



যমৰজাই এদিন সন্ন্যাসীৰ বেশ ধৰি অযোধ্যাৰ ৰাজপ্ৰাসাদ সোমাই আহি লক্ষ্মণক ক'লে, "লক্ষ্মণ, মই এগৰাকী বিৰাট মহৰ্ষিৰ দূত ৰূপে ৰামচন্দ্ৰৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিছোঁ। তুমি অবিলম্বে ৰামচন্দ্ৰক খবৰটো দিয়াগৈ।"

লক্ষ্মণৰপৰা সন্ন্যাসীৰ কথাখিনি শুনি ৰামচন্দ্ৰই তৎক্ষণাৎ সন্ন্যাসীক তেওঁৰ ওচৰলৈ লৈ আহিবলৈ ক'লে।

সন্ন্যাসীৰূপী যাম ৰামচন্দ্ৰক ক'লে, "হে ৰামচন্দ্ৰ, মই আন কেৰে নুশুনাকৈ কথা পাতিম। আমি দুয়ো কথা পাতি থাকোঁতে যদি কোনোবাই কাণসৰালি মাৰি শুনে, তাক মৃত্যুদণ্ড দিব লাগিব। মোৰ এই প্ৰস্তাৱ মানি ল'লেহে মোৰ কথাখিনি মই ভাঙ্গি-পাতি ক'ম।"

ৰামচন্দ্ৰই এই প্ৰস্তাৱত সন্মত হৈ লক্ষ্মণক মতাই অনাই ক'লে, "লক্ষ্মণ, আমি দুয়ো ইয়াত কথা পাতিম। আমি কথা পাতি থকা সময়ত কোনোবা যেন এই কক্ষত নোসোমায়হি। সোমালেই মৃত্যুদণ্ড।"

তাৰ পাছত সন্ন্যাসীৰূপী যমে ৰামচন্দ্ৰক ক'লে, "হে ৰামচন্দ্ৰ! মই সন্ন্যাসী নহওঁ, সন্ন্যাসীৰ বেশছন লৈছোঁহে মাথোন। মোৰ প্ৰকৃত পৰিচয় হ'ল এয়ে যে— মই হ'লোঁ যম। মোক ব্ৰহ্মাই তোমাৰ ওচৰলৈ পঠিয়ালে। ব্ৰহ্মাই ক'বলৈ ক'লে:

"ৰাৱণক বধ কৰাৰ বাবেহে তুমি পৃথিৱীত জন্মগ্ৰহণ কৰিছা। প্ৰকৃততে তুমি হ'লা বিষ্ণু। যি কাৰ্য্য কৰিবলৈ তুমি ভূলোকলৈ আহিছিলা, সেই কাৰ্য্য সম্পন্ন হ'ল। এতিয়া—তোমাৰ যেতিয়াই ইচ্ছা হ'ব তেতিয়াই স্বৰ্গলোকলৈ উভতি যাব পাৰিবা।"

ৰামচন্দ্ৰই ক'লে, "হে যম, তোমাৰ কথাত মই প্ৰীত হৈছোঁ। ময়ো স্বৰ্গলৈ যাবলৈ প্ৰস্তুত।"

ঠিক এনেতে দুৰ্বাসামুনিয়ে ৰামচন্দ্ৰৰ কক্ষৰ দুৱৰী লক্ষ্মণক ক'লেহি, "লক্ষ্মণ,

এতিয়াই—এই মুহূতৰ্তে মই ৰামৰ সৈতে সাক্ষাৎ কৰিবলৈ বিচাৰোঁ।"

"হে মুনিবৰ! জ্যেষ্ঠভ্ৰাতা শ্ৰীৰামচন্দ্ৰ সম্ভহতে অন্য কাৰ্য্যত ব্যস্ত হৈ আছে। আপুনি কথাটো মোক ক'ব পাৰে—যদি আপোনাৰ আপত্তি নাই।" লক্ষ্মণে দুৰ্বাসাক ক'লে।

অত্যন্ত ক্ৰুদ্ধ হৈ দুৰ্বাসাই ক'লে, "তুমি যদি মোক এই মুহূৰ্ত্তত ৰামৰ ওচৰলৈ যাবলৈ নিদিয়া, তেনেহ'লে মই তোমালোকৰ বংশ ধ্বংস হোৱাৰ অভিশাপ দিম।"

লক্ষ্মণৰ তেতিয়া তলে শিল ওপৰে কিল। আন কোনো নহয়, স্বয়ং দুৰ্বাসা! ধ্বংস কৰিম বুলিলে কৰিহে এৰিব। এতেকে—'যি হয় হওক' বুলি ভাবি লক্ষ্মণ ৰামচন্দ্ৰৰ ওচৰলৈ গ'ল আৰু লগে লগে ৰামচন্দ্ৰই কক্ষৰপৰা ওলাই আহি দুৰ্বাসা মুনিক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "আজ্ঞা কৰক, মুনিবৰ!"

"মই অতি ক্ষুধাৰ্ত, আহাৰৰ বন্দৰস্ত কৰা।" দুৰ্বাসাই ক'লে।

ৰামচন্দ্ৰই তৎক্ষণাৎ দুৰ্বাসাৰ বাবে যথোপযুক্ত আহাৰৰ বন্দৰস্ত কৰিলে, আৰু খোৱা-বোৱাৰ অন্তত দুৰ্বাসামুনি গুচি গ'ল।

দুৰ্বাসামুনি গুচি যোৱাৰ পাছত ৰামচন্দ্ৰৰ মনত পৰিল নিজৰ প্ৰতিশ্ৰুতি তথা ঘোষণাৰ কথা। ৰামচন্দ্ৰ মুহ্যমান হৈ পৰিল। লক্ষ্মণে ক'লে, "হে জ্যেষ্ঠভ্ৰাতা! তুমি দুশ্চিন্তিত নহ'বা। ৰাজাজ্ঞা—মোৰ কাৰণেও ৰাজাজ্ঞা। মোক মৃত্যুদণ্ড দিয়াঁ।"

তেতিয়া শ্ৰীৰামচন্দ্ৰই এই বিষয়ত মন্ত্ৰী আৰু পুৰোহিতবৰ্গৰপৰা দিহা-পৰামৰ্শ বিচাৰিলে। বশিষ্ঠ মুনিয়ে ক'লে, "ৰামচন্দ্ৰ, লক্ষ্মণক তুমি ত্যাগ কৰিলেও মৃত্যুদণ্ডয়েই হ'ব। লক্ষ্মণক ত্যাগ কৰি ধৰ্মৰক্ষা কৰা।"

লক্ষ্মণে ৰামচন্দ্ৰক প্ৰণাম কৰি পোনে পোনেই সৰযু নদীৰ তীৰলৈ গৈ, শ্বাসৰুদ্ধ কৰি, যোগ সাধনাত মগ্ন হ'ল। ইন্দ্ৰই ৰথ লৈ আহি, ৰথোপৰি উঠাই, লক্ষ্মণক

সোঁশৰীৰে স্বৰ্গলৈ লৈ গ'ল। বিষ্ণুৰ চাৰিভাগৰ এভাগ যেনিবা স্বৰ্গ পালেগৈ।

তাৰ পাছত, শ্ৰীৰামচন্দ্ৰই ভৰতক সিংহাসনত অধিষ্ঠিত কৰি লক্ষ্মণৰ দৰে সোঁশৰীৰে স্বৰ্গলৈ যোৱাৰ যো-জা কৰি থাকিল। জ্যেষ্ঠভ্ৰাতাৰ আঁচনিৰ কথা অনুমান কৰি ভৰতে ৰামচন্দ্ৰক ক'লে, "ককাইদেউ, তুমি যেতিয়া গুচি যাবাগৈ, সিংহাসনত অধিষ্ঠিত হৈ মোৰনো কি লাভ? তুমি লৱ আৰু কুশক সিংহাসনত অধিষ্ঠিত কৰা। কুশক কোশলৰ সিংহাসনত আৰু লৱক উত্তৰ কোশলৰ সিংহাসনত অধিষ্ঠিত কৰিলে ভাল হ'ব।"

ভৰতৰ কথা মতে লৱ আৰু কুশক সিংহাসনত অধিষ্ঠিত কৰা হ'ল।

শত্ৰুঘ্নক মথুৰাৰপৰা মতাই অনা হ'ল। শত্ৰুঘ্নয়ো তেওঁৰ দুই পুত্ৰ সুবাহু আৰু শত্ৰুঘাতীক সিংহাসনত অধিষ্ঠিত কৰি অযোধ্যালৈ উভতি গ'ল।

শ্ৰীৰামচন্দ্ৰ স্বৰ্গলৈ যোৱাৰ কথা শুনি সুগ্ৰীৱ আৰু বিভীষণো অযোধ্যালৈ ঢপলিয়াই আহিল। অযোধ্যালৈ যোৱাৰ আগতে সুগ্ৰীৱে অংগদক সিংহাসনত বহুৱাই থৈ গ'ল।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই মহাপ্ৰস্থানৰ পথলৈ বুলি খোজ ল'লে। তেওঁৰ পিছে পিছে অন্তঃপুৰৰ মহিলাবৃন্দ, ভৰত, শত্ৰুঘ্ন, মন্ত্ৰী, লগুৱা-লিগিৰী আৰু পৰম সুহৃদ বানৰহঁতো গৈ থাকিল।

আৰু অৱশেষত—সৰযু নৈত নামি যোৱাৰ লগে লগেই শ্ৰীৰামচন্দ্ৰই ব্ৰহ্মাৰপৰা আহ্বান শুনিলে। ৰামচন্দ্ৰ, ভৰত আৰু শত্ৰুঘ্নৰ দেহ বিষ্ণুৰূপ ধাৰণ কৰিলে।

তাৰ পাছত—বিষ্ণু ব্ৰহ্মাৰ ওচৰলৈ গ'ল। শ্ৰীৰামচন্দ্ৰ, ভৰত আৰু শত্ৰুঘ্ন সোঁশৰীৰে স্বৰ্গলৈ গুচি যোৱাৰ অন্তত, তেওঁলোকৰ লগে লগে আহি থকাসকল নিজ নিজ গৃহলৈ গুচি গ'ল। [অন্ত]

জগতৰ ৰীতি

কামপুৰৰ কনকসাউদক ৰাইজে 'ন-কুবেৰ' বুলি চৰ্চিছিল। আগত নহয়, আঁৰত। কনক সাউদৰ আছিল অপৰিমিত ধন-সম্পদ আৰু অসংখ্য ল'ৰা-ছোৱালী। কনকে ল'ৰাহঁতৰ বিয়া পাতি দিলে আৰু ছোৱালী কেইজনীকো বিয়া দিয়াৰ পাছত সিহঁতকেইজনীৰ গিৰিয়েকহঁত ঘৰ জোৱাই কৰি ঘৰতে ৰাখিলে আৰু ল'ৰাহঁতৰ লগতে জোঁৱায়েকহঁতকো বেহা-বেপাৰৰ যুঁৱলিত লগাই দিলে।

ন-কুবেৰ কনকসাউদ আছিল কৰাই-চৰো কৰাইচ। জীৱনতো এপইচীয়া এটাও দান কৰা নাই, খৰচৰ ভয়ত ঘৰৰ চাৰিবেৰ এৰি ক'লৈকো যোৱা নাই, কোনো দেৱ-দেৱীৰ নামতো ফুটা কড়ি বা খুদকণ এটাও দিয়া নাই।

হঠাৎ এদিন সাধু এজন কনকসাউদৰ ঘৰৰ আগত ৰ'লহি। সাধুৱে ন-কুবেৰ কনকসাউদক ক'লে, "আজি তোমাৰ ঘৰতে যাম, আৰু খাম বুলি ভাবিছোঁ।"

কনকসাউদে তিতা-কেঁহা লাগি তিহতিহাই উঠি ক'লে, "যোৱাহে যোৱা, গুচা ইয়াৰপৰা। কোনখন ধুবুৰীৰপৰা কোনোবা ওলাবহি আৰু মইহে খুৱাব লাগিব নে কি?" তথাপি সাধু গুচি নোযোৱাত কনকসাউদে তাৰ চাকৰ এটাক ক'লে, "ইয়াক গঁতিয়াই উলিয়াই দেচোন ইয়াৰপৰা।"

কিন্তু সাধুৰ দৃঢ়তা দেখি চাকৰটোৰ মূৰ চকৰি ঘূৰাদি ঘূৰিবলৈ ধৰিলে আৰু সাধুও আঁকোৰগোঁজ হৈ তাতে থিয় হৈ থাকিল। সাধুৱে ক'লে যে—এসাজ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



খাবলৈ নিদিলে তেওঁ তাৰপৰা নলৰে।

কনকসাউদ ভিতৰ-ঘৰলৈ গৈছিল। কিছু সময়ৰ অন্তত পুনৰ ওলাই আমি সাধুক তাতে থিয় হৈ থকা দেখি দাংখাই উঠি সাধুক ক'লে, "তুমি যদি ইয়াত বৈ বৈ মৰিও যোৱা, মই তোমাক এসাজো নুখুৱাওঁ নুখুৱাওঁ—নুখুৱাওঁ।"

সাধুৱে তাতে বহি দিলে আৰু তিনিদিন-তিনিনিশা তাতে বহি থাকিল।

তেতিয়া পৰিয়ালৰ অন্যান্যই কনকক ক'লে যে সাধু যদি তাতে মৰে, তেনেহ'লে গোটেইখন পৰিয়ালকে পাপে ছুব। কিন্তু কনকে পাপলৈ পৰোৱা নকৰে ঝুলি কৈ সাধুৰ মুখদৰ্শন নকৰিবলৈ ঘৰৰ পিছ দুৱাৰেদি যোৱা-অহা কৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত সাধু তাৰপৰা গুচি গ'ল আৰু কনকেও ৰেহাই পালে।

কিন্তু কেইদিনমানৰ পাছত সাধু পুনৰ ওলালহি। এইবাৰ সাধুৱে কনক-সাউদৰ চাকৰ এটাক ক'লে, "মই তেওঁৰ লগত অলপ কথা পাতিম বুলিহে আহিছোঁ, কোৱাগৈ।"

কনকসাউদে চাকৰটোৰ হতুৱাই সাধুক কৈ পঠালে যে—অহা ছমাহৰ ভিতৰতো কথা পতাৰ সময় নহ'ব। এই কথা শুনি সাধু তৎক্ষণাৎ গুচি গ'ল। কিন্তু ঠিক ছমাহৰ অন্তত পুনৰ আহিল। এই বাৰো কনকে কৈ পঠালে যে অহা ছুমাহৰ পাছতেহে সময় হ'ব, এতিয়া নহ'ব। সাধু ছুমাহৰ অন্তত পুনৰ আহিল। এই দৰে, আৰু ছুই-তিনিবাৰমান ঘূৰাই দিয়াৰ পাছত, জলা-কলা দেখি, কনকসাউদেই সাধুক এদিন মতাই অনালে।

সাধুৱে ন-কুবেৰ কনকসাউদক ক'লে, "শুনা, তুমি ল'ৰা-ছোৱালী বোৱাৰী-নাতি নাতিনীয়েকহঁতৰ মায়াজালত আৱদ্ধ হৈ পৰিছা। এবাৰ চকু মেলি চোৱা।"

কনকসাউদে সাধুক সুধিলে, "তুমি কি ক'ব খুজিছা?"

"শুনা, তুমি যিহঁতক আপোন বুলি ভাবিছা, সিহঁতৰ মাজত এজনো তোমাৰ আপোন নহয়। যিমানদিন খুৱাবা-বুৱাবা সিমান দিনেই সিহঁত তোমাৰ, তাৰ পাছত তোমাক আৰু কোনেও সোধন পোছন নকৰে, মূৰত তুলি নানাচে। মই যি কৈছোঁ, প্ৰমাণ কৰি দেখুৱাব পাৰোঁ তোমাক।" সাধুৱে ক'লে।

ন-কুবেৰ কনকসাউদে প্ৰমাণ বিচৰাত সাধুৱে এটা উপায়ৰ কথা কৈ, গুচি গ'ল।

কেইদিনমানৰ পাছত কনকসাউদে অতি টান বেমাৰত পৰাৰ ভাও জুৰিলে। বেমাৰটো অতি মাৰাত্মক, দুই তিনিদিনৰ ভিতৰত আনকি মৃত্যুও ঘটিব পাৰে। কনকসাউদে পোন প্ৰথমে তাৰ পৰিবাৰক সেহাই সেহাই ক'লে, "যিকোনো মুহূৰ্ততে মোক যমে লৈ যাব পাৰে। জীৱনতো কোনো তীৰ্থ-ধৰ্ম নকৰিলোঁ, পুণ্য কৰ্ম নকৰিলোঁ। আৰু এটা বছৰো জীয়াই থাকিব পৰাহেঁতেন, দুই-চাৰি তীৰ্থত ঘুৰি-ফুৰি দান-ধৰ্ম কৰিলোহেঁতেন।

এজন খ্যাতিমন্ত চিকিৎসক আহিল। কনকসাউদক ভালকৈ ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত চিকিৎসকে তেওঁৰ অক্ষমতা জ্ঞাপন কৰি গুচি গ'ল, আৰু কনকে সেই সাধুৰ পৰামৰ্শ মতে শ্বাস-প্ৰশ্বাস বন্ধ কৰি ছটফট কৰি থাকিল।

কনকসাউদৰ অন্তিম অৱস্থা দেখি



তাৰ শমান আত্মীয়-কুটুম তাৰ পিনে অতি অসহায় ভাৱে চাই থাকিল।

ঠিক তেতিয়াই সেই সাধু তাত ওলালহি। তেওঁৰ হাতত এলোটা গাখীৰ। কনকসাউদৰ ওচৰত থিয় হৈ সাধুৱে তাত গোট খাই থকা কনকসাউদৰ আত্মীয়-কুটুম্বইঁতক ক'লে, "এই মৰিবলৈ ওলোৱা মানুহজনক মৰণৰ গৰাহৰপৰা ৰক্ষা কৰিবলৈ হ'লে আগুৱাই আহঁা, মোৰ ওচৰত একেবাৰে অব্যৰ্থ সিদ্ধৌষধি আছে।"

এই কথা শুনামাত্ৰেই কনকসাউদৰ পৰিবাৰে আৰু আন কেইজনমানেও সাধুৰ ভৰিত দীঘল দি পৰি কাবৌ কৰি ক'লে, "বাবাঠাকুৰ, আপোনাক যি লাগে দিম, সিদ্ধৌষধিৰে এওঁক বচাই তোলক।"

"শুনা, যাৰ আয়ুস শেষ হ'ল, তাক কোনেও বচাব নোৱাৰে। মোৰ ওচৰত থকা সিদ্ধৌষধি যিজনে খাব—সেইজন তৎক্ষণাৎ মৰিব; কিন্তু এওঁ পুনৰ সেই মৰাজনৰ আয়ুস প্ৰাপ্ত হ'ব। এতিয়া—সিদ্ধৌষধি কোনে খাব, আগুৱাই আহঁা।"

কিন্তু কোনো আগুৱাই নাহিল।

সাধুৱে খেদ প্ৰকাশ কৰি ক'লে, "হায়! যিজন মানুহে পৰিয়াল পৰিজনৰ সুখৰ কাৰণে জীৱন দিলে, সেইজনে তেওঁৰ নিজৰ পৰলোকৰ কাৰণে একোৱেই নকৰিলে। হায়! বেচাৰা এইদৰেই মৰিব, তেওঁক বচাবলৈ কোনো এজনো সিদ্ধৌষধি খাবলৈ আগুৱাই নাহিব৷—এয়ে জগতৰ ৰীতি!"

"হে সাধু! হে মহাত্মা! মোৰ জ্ঞানোদয় হ'ল!" এই বুলি কৈ, কৰাইচ কনকসাউদে ক'লে, "এতিয়াহে বুজিলোঁ—মায়া মানেই মিছা!"

এই ঘটনাৰ পাছৰপৰা কৰাইচ কনকসাউদে দান-ধৰ্ম কৰি কৰি 'দানবীৰ' হিচাপে খ্যাতি লাভ কৰিছিল।



উপকাৰ-প্ৰত্যুপকাৰ

৮

অচিনাকি যুৱকে গাঁৱৰ ৰাইজক সেই গিয়ানী দুজনৰ ওচৰলৈ লৈ গ'ল। এইদৰে একেলগ হৈ ৰাইজক অহা দেখি জয় আৰু বিজয়ে ভয় খালে। ৰাইজে চিঞৰি চিঞৰি ক'লে, "আমি আমাৰ গিয়ানী দৌতাইঁতৰ সৈতে কথা হ'ম।"

"কিয়? কিহৰ কাৰণে?" জয়ে সুধিলে।

"এই বিদেশী অচিনাকি যুৱকে নিজক নিজক বিষ্ণুৰ অৱতাৰ হিচাপে ঘোষণা কৰিছে। এই কথা সঁচানে মিছা—আমি জানিবলৈ বিচাৰোঁ।" ৰাইজে ক'লে।

জয় আৰু বিজয়ে ভয় খাই বেঙে মূতা গৰু যেন হৈ সিহঁতৰ দেউতাকহঁতক ক'লেগৈ কথাখিনি। আৰু তাৰ পাছত পুনৰ ক'লে, "এতিয়া — তোমালোকে যদি সেই অচিনাকি বিদেশীটোক বিষ্ণুৰ অৱতাৰ বুলি কোৱাঁ, তেনেহ'লে আমি দুয়ো আত্মঘাতী হ'ম।"

গিয়ানীদ্বয়ে জয় আৰু বিজয়ক ক'লে, "তোমালোকে আমাক কি যে আহুকালত পেলালা! এতিয়া—জয়িতাৰ সৈতে কথা পাতিব লাগিবগৈ।"

জয় আৰু বিজয়ে গিয়ানীহয়ক এটা ঘুটঘুটীয়া এন্ধাৰ কোঠালৈ লৈ গ'ল। এই পোহৰ নথকা কোঠাটোৰ এচুকত বন্দিনী জয়িতা বহি আছিল। গিয়ানীদ্বয়ে জয়িতাক ক'লে "আই, আমাৰ অপৰাধৰ বাবেহে তুমি বন্দিনী হৈ আছা।" তাৰ পাছত গিয়ানীদ্বয়ে জয়িতাক আকৌ ক'লে, "আই, তোমাৰ ৰূপ আৰু গুণলৈ মন

কৰিলে তোমাক সাইলাখ দেৱী যেন লাগে। তোমাৰ মাজত আছে অসীম শক্তি। তোমাৰ এই শকতিৰে তুমি জয়-বিজয়ক নিশ্চয়েই পৰিৱৰ্তিত কৰিব পাৰিবা। —আমিয়েই আমাৰ সন্তানহঁতক মাৰি পেলাব পাৰোঁনে আই? অচিনাকি যুৱকক আমি বিষ্ণুৰ অৱতাৰ হিচাপে ঘোষণা কৰিলেই আমাৰ পুত্ৰদ্বয়—জয় আৰু বিজয়—আত্মঘাতী হ'ব। তুমি—তুমি সিহঁতক মাৰি নেপেলাবা, সিহঁত দুটাক ৰক্ষা কৰাঁ।"

"এতিয়া আৰু সিহঁতক পৰিৱৰ্তন কৰাটো—অসম্ভৱ।" জয়িতাই ক'লে।

"এনেবোৰ কথা আমাৰ দৰে সাধাৰণ মানুহেহে কয়, তোমাৰ মান দেৱীৰ মুখত নুশুৱায়। তুমি—মন কৰিলেই আমাৰ ল'ৰাহঁতক অপঘাত মৃত্যুৰপৰা বচাব পাৰা আৰু অচিনাকি বিদেশীক বিয়া কৰোৱাৰ উপায়ো উলিয়াব পাৰা।" সৰু গিয়ানীয়ে কন্দনামুৱা হৈ ক'লে।

"কিন্তু মই যদি কোনো উপায় উলিয়াব নোৱৰা হওঁ? তেতিয়া কি হ'ব?" জয়িতাই সুধিলে।

"আমিনো আৰু কি কৰিম, আমি গাঁৱৰ ৰাইজৰ আগত ক'মগৈ যে—এই বিদেশী হ'ল বিষ্ণুৰ অৱতাৰ, আৰু তেতিয়া আমাৰ ল'ৰা দুটাই বিষ খাই মৰিব।"

"তোমালোকৰ পুত্ৰদ্বয়ৰ যাতে কোনো



প্ৰকাৰৰ অনিষ্ট নহয়, তাৰ বাবে উপায় এটা ভাবি উলিয়াইছোঁ।" এই বুলি কৈ, জয়িতাই গিয়ানী দুজনক তাই উলিউৱা উপায়ৰ কথাটো সিহঁতক ক'লে।

আৰু তাৰ পাছত গিয়ানীদ্বয় গাঁৱৰ ৰাইজৰ আগত হাজিৰ হ'লগৈ।

তেতিয়া ৰাইজৰ মাজত থকা অচিনাকি যুৱকে ভাবিলে ঃ গিয়ানীদ্বয়ে যদি মোক বিষ্ণুৰ অৱতাৰ বুলি নকয়, তেনেহ'লে— গাঁৱৰ ৰাইজে মোক কি কৰিবনো ?—তাত জয় আৰু বিজয়ো আছিল। সিহঁতৰ হাতৰ মুঠিত আছিল তীব্ৰ বিষ।

ডাঙৰ গিয়ানীয়ে গলহেঁকাৰি মাৰি ক'লে, "মোৰ মৰমৰ গাঁৱৰ ৰাইজ, আমাৰ গাঁৱত যিজন বিদেশী অচিনাকি যুৱকৰ আবিৰ্ভাৱ হৈছে, সেইজন যুৱকৰ গাত অৱতাৰৰ ঢেৰ লক্ষণ আছে। কিন্তু লক্ষণ থাকিলেই তো নহ'ব, আমাক প্ৰমাণো লাগে।" তাৰ পাছত, এই প্ৰমাণ কেনেকুৱা প্ৰমাণ হ'ব লাগিব, ডাঙৰ গিয়ানীয়ে ৰাইজৰ আগত তাকো ক'লে ঃ

'অচিনাকি যুৱকক, আৰু লগতে জয়িতাকো অৰণ্যলৈ লৈ যোৱা হ'ব। অৰণ্যত এই দুজনক এৰি দিয়া হ'ব, আৰু এহেজাৰ গজৰ আঁতৰে আঁতৰে চাৰিওফালে আগুৰি থাকিব গাঁৱৰ ৰাইজ। আমি অৰ্থাৎ, ৰাইজে, একৰপৰা এশলৈকে গন্তি কৰিব। এই এশলৈকে গন্তি





তাৰ পাছত — জয়িতাই ৰাইজক সম্বোধি ক'লে, "আপোনালোকৰ ওচৰত যিজন মানুহ অচিনাকি বিদেশী, মোৰ ওচৰত তেৱেঁই অৱতাৰ-পুৰুষ। আমি মুক্ত হোৱাৰ পাছত কিছুদিনলৈ মহাকাশত ঘুৰি ফুৰিম, উৰি ফুৰিম। পিছে আপোনালোকৰ গাঁও এৰি গুচি যোৱাৰ আগতে মই অলপ খোৰাবস্তু লৈ যাবলৈ বিচাৰোঁ।" জয়িতাই এই কথা কোৱাৰ লগে লগে ৰাইজৰ কিছুমানে নিজৰ নিজৰ ঘৰৰপৰা খোৰাবস্তু আনি জয়িতাক দিলে।

অটব্য অৰণ্যৰ এজোপা বিৰাট গছৰ ওচৰত জয়িতা থিয় হ'লহি। অচিনাকি যুৱকে সকলোটিক শুনাই জোৰেৰে ক'লে, "ৰাইজ! এতিয়া—এহেজাৰ গজ আঁতৰলৈ পিছুৱাই গৈ আপোনালোকে একৰপৰা এশলৈকে গন্তি কৰি থাকক। তেতিয়া, অৰ্থাৎ একৰপৰা এশলৈকে গন্তি কৰাৰ মাজত যদি মই জয়িতাৰে সৈতে অদৃশ্য হ'ব পাৰোঁ, তেনেহ'লে অৱতাৰ হিচাপে গণ্য কৰিব। এতিয়া, যিহেতুকে মোৰ লগত আপোনালোকৰ আৰু দেখাদেখি নহ'ব, সিহেতুকে, মোৰ কিছুমান কথা আপোনালোকে মনোযোগেৰে শুনক আৰু মোৰ এইবোৰ কথা আখৰে আখৰে পালন কৰক। শুনক, ৰাইজৰ শকতি

কৰোঁতই যদি জয়িতাৰে সৈতে বিদেশী যুৱক অদৃশ্য হৈ যাব পাৰে, তেনেহ'লে কোনো কথা নাই। কিন্তু যদি অদৃশ্য হ'ব নোৱাৰে, তেনেহ'লে জয়-বিজয়েই জয়িতাক বিয়া কৰাব আৰু অচিনাকি বিদেশী যুৱকে গাঁও এৰি গুচি যাবগৈ।"

ডাঙৰ গিয়ানীৰ এই প্ৰস্তাৱত গাঁৱৰ ৰাইজ সন্মত হ'ল। এই ঘোষণা শুনি জয়-বিজয়ৰ মনতো আশাৰ সঞ্চাৰ হ'ল। ইমান মানুহৰ দৃষ্টিক ফাকি দি বিদেশী আৰু জয়িতা যে একোপধ্যে পলাব নোৱাৰিব সেই কথাত সিহঁত আছিল একেবাৰে নিঃচিন্ত।

যিকোন গিয়ানীতকৈ বহুগুণে অধিক। অন্যায়ৰ বিৰুদ্ধে আপোনালোকে এক হৈ থিয় দিব, ঘৃৰ্ণোৰ প্ৰতিবাদ কৰিব। আপোনালোকতকৈ জয়-বিজয়ৰ শক্তি বেছি নহয়, এই কথাত নিঃচিন্ত হওক। জয়-বিজয় হ'ল ৰাক্ষসৰ অংশজাত। কিন্তু সিহঁতৰ মাজত থকা ৰাক্ষসৰ অংশ মই হৰণলুকি মন্ত্ৰেৰে হৰণ কৰি লৈ যাম। তেতিয়া সিহঁত দুটাৰ মাজত কোনো ধৰণৰ শক্তি নাথাকিব। তেতিয়া আপোনালোকে আপোনালোকৰ আগত সিহঁতৰ মূৰ সহজেই দোঁৱাৰ পাৰিব। কথা মাথোন ইমানেই নহয়, যি গিয়ানীদ্বয়ে ইমানকাল ধৰি আপোনালোকক কেৱল আভুৱা ভাঁৰি শোষণহে কৰিছিল, তেওঁলোকে এতিয়াৰপৰা আপোনালোকক সহায় কৰিব। —মোৰ এইবোৰ কথা মনত ৰাখিলে, আৰু মানি চলিলে, আপোনালোকৰ মংগল হ'ব।"

তাৰ পাছত, এহেজাৰ গজ আঁতৰত থিয় হৈ গাঁৱৰ ৰাইজে অচিনাকি যুৱক আৰু জয়িতাৰ গমনপথলৈ চাই থাকিল। সৰু-ডাঙৰ গিয়ানী দুজনে মনতে জয়িতা আৰু যুৱকৰ অদৃশ্য হোৱালৈ কামনা কৰিলে। ইপিনে—জয় আৰু বিজয়ে ভাবিলে যে সিহঁতহাল একোপধ্যেই তাৰপৰা—ইমান চকুৰ আগৰপৰা নোহোৱা হ'ব নোৱাৰিব।

তাৰ পাছত আৰম্ভ হ'ল একৰপৰা এশলৈকে গন্তি কৰণ।

এশলৈকে গন্তি কৰাৰ বহু আগতেই জয়িতাই এখুজি-দুখুজিকৈ গৈ গৈ এজোপা গছৰ ওচৰলৈ গৈ—চকুৰ পচাৰ নৌ পৰোঁতেই—তাত থকা সুড়ংগৰ ভিতৰত অদৃশ্য হৈ পৰিল। লগতে অচিনাকি যুৱকো অদৃশ্য হ'ল। আৰু পাছমুহূৰ্ততে সিহঁতেসেই নিমজ এন্ধাৰ সুড়ংগৰ দুৱাৰমুখ বন্ধ কৰি দিলে। [অহা সংখ্যাত অন্ত]

ৰাতিৰ পৰীয়া

জমিদাৰক এজন পৰীয়া লাগে। ৰাতিৰ পৰীয়া। এই কথা তাৰ মুখে তাৰ মুখে শুনি আনন্দ আৰু বিনন্দই জমিদাৰৰ ঘৰলৈ গ'ল চাকৰি বিচাৰি। জমিদাৰে আনন্দক ক'লে সিদিনা ৰাতিৰ পৰতে পৰ দিবলৈ। পাছদিনা জমিদাৰে আনন্দক ক'লে, "এতিয়া তুমি—এতিয়াৰপৰা গধূলিলৈকে মোৰ উদ্যানত যিমানবোৰ গছ আছে, প্ৰতিজোপা গছৰ গুৰিত পানী ঢালি থাকা।" আনন্দই আনন্দৰে জমিদাৰৰ আদেশ পালন কৰিলে। তাৰ পাছত—জমিদাৰে আনন্দক চাৰি দিনৰ পাছত পুনৰ আহিবলৈ ক'লে।

তাৰ পাছত জমিদাৰে বিনন্দক সেই ৰাতি পৰ দিবলৈ ক'লে আৰু ৰাতিপুৱা আনন্দক কোৱাৰ দৰে বিনন্দকো গছৰ গুৰিত পানী দিবলৈ ক'লে। জমিদাৰে আনন্দৰ কাম-কাজৰ পিনেও লক্ষ্য ৰাখিছিল, বিনন্দৰ কাম-কাজলৈও লক্ষ্য কাৰবলৈ ধাৰিলে। আনন্দই আনন্দ মনেৰেই পুৱাৰপৰা গধুলিলৈকে গছৰ গুৰিত পানা দিছিল ; আনহাতে----বিনন্দই এই কাম কৰোঁতে ভাগৰি পৰি কলমটিয়াইছিল।

গধুলি পৰতে জমিদাৰে বিনন্দক ক'লে, "মোৰ পৰীক্ষা শেষ হ'ল। মই তোমাক মোৰ ৰাতিৰ পৰায়াৰ কামত মকৰল কাৰলোঁ। উদ্যানৰ গছ-গছনিত পানী দিয়াৰ কামটো আনন্দই তোমাতকৈ আনন্দৰে কৰিছিল, তৎপৰতাৰে কৰিছিল; কিন্তু তুমি এই কাম কৰোঁতে কলমটিয়াই আছিলা। মোৰ ধাৰণা, তুমি সঠিকভাৱে ৰাতিৰ পৰতে পৰ দিছিলা বুলিয়েই দিনৰ বেলিকা তোমাক টোপনিয়ে জোকাইছিল। মই তোমাৰ নিচিনা পৰীয়া এজনকহে বিচাৰি আছিলোঁ।"

ওৱাৰিচ ওৱাচিল

ৰাকেশশৰ্মা আছিল ৰামপুৰৰ মুঞ্চুপ। কিন্তু মুঞ্চুপ হোৱা সত্বেও, ৰাকেশশৰ্মা আছিল অতি কৃপণ আৰু কুৰ্বুধীয়া। আৰ লগত তাৰ কাজিয়া লগাই দিবলৈ ৰাকেশশৰ্মাই সদায় চেষ্টা কৰিছিল। মুঞ্চুপ বাৰেৰে ৰাকেশশৰ্মাই কপালৰ গুণত ঘৈণীয়েকো পালে একেই স্বভাৱৰ তেৰেৰে। একেবাৰে যোৰ যোৰ পাভযোৰ। ৰাকেশৰ ঘৈণীয়েকৰ নাম ৰাগিণী। দুয়ো এটা কথাত একমন একপ্ৰাণ ঃ টকা, আৰু টকা ধৰ্ম টকা স্বৰ্গ টকাহি পৰমংতপঃ।

ৰাকেশ মুঞ্চুপে গাঁৱৰ ৰাইজৰ মাজত কেৱল কাজিয়া-কন্দল লগাই দিয়াই নহয়, দুয়ো পক্ষৰেপৰাই অলপ ৰোজকাৰ-পাতিও কৰিছিল। কোনোবাই বিপদ বিপাঙত পৰিলে ৰাকেশে নিজেই সুধিছিলগৈ যে টকা-পইচা ধাৰ লাগেনে কি। ৰাকেশে অত্যধিক সুত লৈছিল। পঢ়া-লিখা নজনা মানুহবোৰা হিচাপৰ ইফাল-সিফাল কৰি বেছিকৈ টকা আদায় কৰিছিল।

ৰাগিণীও কমজনী নাছিল। তাই ঘটী-বাটি-কাঁহী—যিকোনো বাচন-বৰ্তন বন্ধকত ৰাখি দুই চাৰি টকা ধাৰলৈ দিছিল আৰু এনেকুৱা কৌশল কৰিছিল যে সেইবোৰ বস্তু বস্তুৰ গৰাকীয়ে আৰু কোনোদিনে ঘূৰাই পোৱা নাছিল।

এইদৰে পঁচিছটা বছৰ পাৰ হ'ল. আৰু তেতিয়াহে ৰাগিণীৰ ল'ৰা এটি উপজিল। চুবুৰীয়াইতে ক'লে, "হ'ল হ'ল ল'ৰা হ'ল, আমাৰ খাৰন-লওন ক'ত গ'ল?"

এই বিষয়ে গিৰিয়েক-ঘৈণীয়েকে আলোচনা কৰি কৰি শেহলৈ ইয়াকে

খাটাং কৰিলে যে—সিহঁতহালে একেটা দলিৰে দুটা চৰাই মাৰিব, একেলগে পুতেকৰ জনম আৰু লগতে সিহঁতহালৰ বিয়াৰ পঁচিছতম বিবাহ বাৰ্ষিকী পালন কৰিব। নিমন্ত্ৰিতহঁতে ল'ৰাৰ বাবে, আৰু সিহঁতৰ বাবেও উপহাৰ লৈ আহিব।

এনেকুঁৱা আঁচনি কৰি ৰাকেশ মুঞ্চুপে গোটেইখন গাঁৱৰ ৰাইজক নিমন্ত্ৰণ কৰিলে।

নিমন্ত্ৰিতসকল আহিল, ভোজ খালে, উপহাৰ দিলে। উপহাৰৰ মাজত অধিকভাগেই আছিল আঙঠি। ইমানবোৰ আঙঠি দেখি সিহঁতহালৰ মনত সন্দেহই উক দিলে। ঘৰত কষটিশিল এডোখৰ আছিল। আঙঠিবোৰ ঘঁহি চালে মুঞ্চুপে, আৰু আৰ্তনাদ কৰি উঠিল, "বেঈমান বেটাহঁতে ভোজ খাই নকলী সোণৰ আঙঠি দি থৈ গ'ল—জানিছা !"

কিন্তু কথা আছিল আৰু ভয়ানক। ৰাগিণীয়ে বন্ধকী হিচাপে লোৱা আটাই-বোৰ বাচন-বৰ্তন ভোজৰ বাতি ঘৰৰপৰা খোজ লৈ গুচি গ'ল। নিমন্ত্ৰিতহঁতেই নিশ্চয় বন্ধকী বস্তুবোৰো চুৰি কৰিলে।

তেতিয়া ৰাকেশ মুঞ্চুপ আৰু ৰাগিণীয়ে উচুপনিৰ ৰাগ টানি থাকিল। আৰু ল'ৰাটোৱে তীব্ৰভাৱে কান্দি উঠিল।

ৰাগিণীয়ে লৰালৰিকৈ গৈ ল'ৰাটোক কোলাত তুলি ল'লে। ল'ৰাটোৰ হাত দুখন মুঠিমচা দেখি হাতৰ মুঠি খুলি চালে ৰাগিণীয়ে। ৰাগিণী আৰু ৰাকেশ মুঞ্চুপো অবাক হ'ল, সিহঁতহালৰ মুখৰপৰা ৰাও নোলোৱা হ'ল! ল'ৰাটোৰ দুয়োখন হাতৰ মুঠিত দুডাল সোণৰ হাৰ!

মুঞ্চুপে আলুলৈকে নীৰৱ হাঁহিৰে ৰাগিণীক ক'লে, "চোৱাঁ, আমি জীৱনতো যিটো কাম কৰিব নোৱাৰিলোহেঁতেন, আমাৰ ল'ৰাই উপজিয়েই কৰি পেলাছেই। বিয়াৰ পঁচিছ বছৰৰ পাছত সঁচাসঁচিকৈ আমাৰ ওৱাৰিচ ওৱাচিল হ'ল।



উত্তৰ আৰু দক্ষিণ ধ্রুৱতৰাৰ অঞ্চলত উত্তৰ কিৰণমালা [অৰোৰা জোৰিলিন] আৰু দক্ষিণ কিৰণমালা [অৰোৰা আস্ত্ৰালিন] পৰিলক্ষিত হয়। সূৰ্য্যৰপৰা বিচ্ছুৰিত কণাসমূহ ধ্রুৱতৰাৰ গাত পৰাত আৰু পৃথিৱীৰ মাধ্যাকৰ্ষণৰ ফলত এনে অপৰূপ কিৰণমালা তথা পোহৰৰ সৃষ্টি হয়।

ধ্রুৱ-কিৰণ

লালটিৰ লালিত্য

অষ্ট্ৰেলিয়াৰ ভালুকবোৰে গৰমৰ দিনত সিঁহতৰ মুখৰপৰা এবিধ লালটি উলিয়াই আনি গাত সানি লয়। তাৰ ফলত সিঁহতৰ গা ঠাণ্ডা হৈ থাকে।

মৰুভূমিৰ বৰষুণ

মৰুভূমিত মাজে-সময়ে-বৰষুণ দিয়া সত্বেও মৰুভূমিৰ মাটি শুকানেই থাক যায়। মৰুভূমিৰ মাটিৰ উপৰিভাগৰ বায়ু অতি উত্তপ্ত হৈ থকা হেতুকে, বৰষুণৰ টোপাল-বোৰ মাটিত পৰাৰ আগতেই ভাঁপ হৈ উৰি যায়।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনাকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ ডিছেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ অক্টোবৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : চেমনীয়াৰ হাতত টোকন দ্বিতীয় ফটো : কলিত পোনাৰ মূৰত জোৰণ !

পুৰস্কাৰ প্ৰাপক : ৰেণু গগৈ, শিলপুখুৰী, গুৱাহাটী-৭৮১ ০০৩

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

No 'flip and discard' magazine

"An issue of The Heritage is generally read more than once by its readers... usually, read in depth. Over 90% of Heritage readers preserve their copy..."

– from an IMRB survey conducted in Oct 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

So much in store, month after month.

CMP-2155

ৰাম আৰু শ্যাম
জংঘলত আদিবাসীৰ কবলত
PARLE
ৰামৰ মোমায়েক আৰু মামীয়েক এটা ধুনীয়া দ্বীপত থাকে, ৰাম আৰু শ্যামক বন্ধত তাত থাকিবলৈ মাতিলে।
কৌতুহল বশত তেওঁলোকে দ্বীপটোলৈ যাত্ৰা কৰিলে, হাতত তেওঁলোকৰ ভাললগা পপিন্স।
হঠাৎ...
কাড় ?
কিন্তু কিয় ?
ZIP!
ZIP!
এই আদিবাসীসকলে নিশ্চয় আমালৈ ভয় কৰিছে।
আমি তেওঁলোকৰ লগত বন্ধু পাতিবৰ বাবে পপিন্সৰ পেকেট গাঠি কাড়ৰ সেতে মাৰিম।
জেভলিনৰ দৰে শ্যামে গছত লাগি থকা কাড় বোৰত পপিন্স লগাই মাৰিল।
PARLE POPPINS
লুকাই থকা আদিবাসী সকল লাহে লাহে ওলাই আহিল আৰু পপিন্স বোৰ বুটলিলে। তেওঁলোকে চুপিলে আৰু ভাল পালে।
বাহ !
বাহ !
আনন্দৰে তেওঁলোক আহি বন্ধুত্বৰে ৰাম আৰু শ্যামক আৱৰি ধৰিলে।
আমাৰ মৰমৰ বন্ধু
ৰাম আৰু শ্যামৰ হাতত যেতিয়া পপিন্স থাকিব তেতিয়া তেওঁলোকৰ বন্ধুৰ অভাৱ নহব।
পাৰ্লে
পপিন্স
ৰসাল·সোৱাদ·জুতিলগা
everest/86/PP/411-as